


গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

*সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে*

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ৯ জানুৱাৰী ২০২৬/২৪ পুহ ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ ● সংখ্যা - ৩৮ ● Vol - 14, Issue - 38

# অসমত মইনাৰ পিছত এইবাৰ মুকলি কৰা হ'ল 'মুখ্যমন্ত্ৰীৰ নিযুত বাবু আঁচনি'

**গুৱাহাটী ঃ** অসম চৰকাৰে স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ত অধ্যয়ন কৰি থকা ছাত্ৰসকলৰ বাবে 'মুখ্যমন্ত্ৰীৰ নিযুত বাবু আঁচনি' নামৰ এক বিশেষ জলপানী আঁচনি আৰম্ভ কৰিছে। যোৱা ১ জানুৱাৰীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰা এই আঁচনিখনৰ বাবে শিক্ষা মন্ত্ৰী ৰণোজ পেগুৱে মঙলবাৰে সমৰ্থ প'ৰ্টেলৰ জৰিয়তে আবেদন আহ্বান জনাইছে। এই আঁচনিৰ অধীনত স্নাতক মহলাৰ ছাত্ৰসকলে বছৰি ১০ হাজাৰ টকা আৰু স্নাতকোত্তৰ মহলাৰ ছাত্ৰসকলে বছৰি ২০ হাজাৰ টকাকৈ সাহায্য লাভ কৰিব। আঁচনিখনৰ সুবিধা ল'বলৈ ছাত্ৰজন অসমৰ স্থায়ী বাসিন্দা হোৱাৰ লগতে তেওঁৰ পৰিয়ালৰ বাৰ্ষিক আয় ৪ লাখ টকাতকৈ কম হ'ব লাগিব। কেৱল স্নাতক আৰু স্নাতকোত্তৰ প্ৰথম বৰ্ষৰ নিয়মীয়া ছাত্ৰসকলেহে ইয়াৰ বাবে আবেদন কৰিব পাৰিব। অৱশ্যে বিবাহিত স্নাতক ছাত্ৰ, বাণীকান্ত কাকতি মেধা বঁটাৰ স্কুটাৰ লাভ কৰা শিক্ষাৰ্থী আৰু মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ সুবিধা ভোগ কৰা স্নাতকোত্তৰ শিক্ষাৰ্থীসকল এই আঁচনিৰ বাবে যোগ্য নহয়। উচ্চ শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰসকলক আৰ্থিক সকাহ দিয়া আৰু আধাতে পঢ়া এৰা সমস্যা ৰোধ কৰাই এই আঁচনিৰ মূল লক্ষ্য। চৰকাৰে জানিবলৈ দিয়া মতে, এই সুবিধা লাভ কৰিবলৈ ছাত্ৰসকলে শিক্ষানুষ্ঠানত নিয়মীয়া উপস্থিতিৰ লগতে উন্নত চৰিত্ৰ আৰু শৃংখলাবদ্ধতা বজাই ৰাখিব লাগিব। ৰেগিং বা অনুশাসনহীনতাৰ দৰে ঘটনাত জড়িত থাকিলে সংশ্লিষ্ট ছাত্ৰজনৰ এই সুবিধা কৰ্তন কৰা হ'ব বুলিও চৰকাৰে স্পষ্ট কৰি দিছে।



# শিৱসাগৰত পোনপ্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় মে-ডাম-মে-ফিৰ আয়োজন

## ধৰ্মীয়, সাংস্কৃতিক, শৈক্ষিক আৰু বৌদ্ধিক আলোচনাৰে জীপাল হ'ব চাওলুং চ্যু-কা-ফা ক্ষেত্ৰ



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** বৰঅসমৰ চিন্তাৰ মূলকেন্দ্ৰ তথা আহোম ৰাজত্বৰ সোণসেৰীয়া বুৰঞ্জীৰ স্মৃতিৰে সমৃদ্ধ পুৰণি ৰংপুৰ আৰু বৰ্তমানৰ শিৱসাগৰ জিলাত পোনপ্ৰথমবাৰৰ বাবে আয়োজন কৰিবলৈ লোৱা হৈছে আন্তঃৰাষ্ট্ৰীয় মে-ডাম-মে-ফি। বৃহত্তৰ ৰংপুৰ মে-ডাম-মে-ফি উদ্‌যাপন সমিতি আৰু আটাছু শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত তিনিদিনীয়াকৈ আয়োজিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় মে-ডাম-মে-ফিৰ আয়োজক সমিতি গঠন সম্পন্ন হৈছে। সভাপতি হিচাপে জ্যেষ্ঠ সাংবাদিক ভৈৰৱ মুণ্ডা, সাধাৰণ সম্পাদক সদৌ তাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি বসন্ত গগৈ, কুশল চেতিয়া আৰু বিদ্যুৎ গগৈক কাৰ্যকৰী সভাপতি কংকন বৰা আৰু পাৰ্থ গগৈক যুটীয়া সম্পাদক, মুখ্য সমন্বয়ক হিচাপে অখিল আহোম, ধমেন গগৈ আৰু টুটুল সন্দিকৈক লৈ এক শক্তিশালী আয়োজক সমিতি গঠন কৰা হয়। আয়োজক সমিতিৰ সভাপতি ভৈৰৱ মুণ্ডাই সংবাদমেলত তিনিদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় মে-ডাম-মে-ফিৰ বিষয়ে বিশদভাৱে জানিবলৈ দিয়ে। চলিত বছৰৰ সমাগত ৩০ জানুৱাৰী তাৰিখৰ পৰা অনুষ্ঠিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় মে-ডাম-মে-ফিৰ প্ৰথম দিনটোত আনুষ্ঠানিক পতাকা উত্তোলন আৰু মৈদাম তৰ্পণেৰে প্ৰথম দিনৰ কাৰ্যসূচী আৰম্ভ হ'ব। সমান্তৰালভাৱে নতুন প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰিব পৰাকৈ অনুষ্ঠিত হ'ব বহু কেইখন প্ৰতিযোগিতা। প্ৰথম দিনটোত অৰ্থাৎ ৩০ জানুৱাৰী তাৰিখে পুৱা দহ বজাত ক (কেজি-দ্বিতীয়শ্ৰেণী-মুক্ত বিষয়), খ (তৃতীয়-ষষ্ঠশ্ৰেণী-বিষয় আহোমযুগৰ ঐতিহাসিক স্থাপত্য), গ শাখাত (সপ্তম-দশমশ্ৰেণী, বিষয় চাওলুং চ্যু-কা-ফাৰ প্ৰতিমূৰ্তি) আৰু ঘ শাখাত (একাদশ-স্নাতকোত্তৰ শ্ৰেণী, বিষয় সৌমাৰপীঠত চাওলুং চ্যু-কা-ফাৰ আগমণ) সম্বন্ধে চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিটো শাখাৰ শীৰ্ষ তিনিজনলৈ নগদ পুৰস্কাৰ আৰু প্ৰশস্তি পত্ৰ প্ৰদান কৰা হ'ব। উক্ত দিনটোতেই দিনৰ ১১ বজাত শিৱসাগৰ যুৱদলত 'ভাৰতৰ ইষ্ট এক্ট পলিচিৰ প্ৰেক্ষাপটত আৰু দক্ষিণ-পূব এছিয়াত তাই আহোমৰ পুনৰুত্থান আৰু সম্পৰ্ক' বিষয়ত এক শৈক্ষিক কনক্লেভ অনুষ্ঠিত হ'ব। একে সময়তে নৱপ্ৰজন্মক উৎসাহিত কৰিব পৰাকৈ 'আহোম ৰাজ্যৰ ধৰ্মীয় সহিষ্ণুতা সাম্প্ৰতিক প্ৰেক্ষাপটত অসমৰ সামাজিক ঐক্য ৰক্ষাৰ উপায়' শীৰ্ষক বিষয়ৰ সদৌ অসম ভিত্তিত তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ক্ৰমাগতভাৱে প্ৰথম, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ দল হিচাপে ১২০০০, ১০০০০, ৮০০০, ৫০০০ টকা লাভ কৰিব। প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ তাৰ্কিকক ক্ৰমে ৬০০০, ৫০০০, ৪০০০ টকা প্ৰদান কৰা হ'ব। উক্ত *১০ পৃষ্ঠাত*

# বিশ্বৰ গদ্য সাহিত্যৰ জনক বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্যৰ অমৰ সৃষ্টি 'কথা গীতা'

**■ ৰমেন ভৰালী**

বিশ্বৰ আন কোনো প্ৰান্ততে যেতিয়া গদ্য সাহিত্যৰ সৃষ্টি হোৱা নাছিল তেতিয়াই ষষ্ঠদশ শতিকাত অসমত ভট্টদেৱৰ কাপেৰে সৃষ্টি হৈছিল গদ্য সাহিত্যৰ। বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্যক বিশ্বৰ গদ্য সাহিত্যৰ জনক হিচাপে স্বীকৃতি দিয়া হৈছে তেওঁৰ অমৰ সৃষ্টি 'কথা গীতা'ৰ বাবে। প্ৰাচীন কালতে তেওঁ গদ্য সাহিত্যৰ সৃষ্টি নকৰাহেঁতেন কোনো সাহিত্যিকে আজিৰ গদ্য সাহিত্যৰ জগতখনত নিজৰ গৰিমা প্ৰকাশ কৰিব নোৱাৰিলেহেঁতেন। এইগৰাকী শাস্ত্ৰজ্ঞ ব্যাকৰণ, সংস্কৃত, কাব্য, স্মৃতি আদি বিষয়ত পণ্ডিত আছিল বাবেই তেওঁ কবিৰত্ন আৰু পাছলৈ 'ভাগৱত' উপাধি লাভ কৰে। চাৰ আশুতোষ মুখাৰ্জী, আচাৰ্য্য প্ৰফুল্ল *১০ পৃষ্ঠাত*



# নৱ সূৰুযৰ নতুন আভাত একলম

■ দেৱাশীষ ৰাজকুমাৰ
প্ৰাক্তন ছাত্ৰ, গুৱাহাটী বিশ্ববিদ্যালয়

সমাজ আৰু সাংস্কৃতিক অৱক্ষয়ৰ বৰ্ষ হিচাপে চিহ্নিত হোৱা বিদায়ী ২০২৫ বৰ্ষটোৱে আমাৰ কি দি গ'ল, কি নগ'ল তাৰ হিচাপ কৰিলে হয়তো দিয়াতকৈ লৈ যোৱাৰ শতাংশৰ ৰেখাডালেই দীঘল হ'ব। যা নহওঁক অসমত উজ্বলি থকা আমাৰ প্ৰজন্মৰ একমাত্ৰ মুকুতা হেৰাই যোৱা এটা বিষাদৰ অন্ধকাৰ বৰ্ষ হিচাপেই এই বৰ্ষটো চিহ্নিত হোৱাৰ শেষত আমি আগবাঢ়িলো গতানুগতিকভাৱেই আন এটি নতুন ইংৰাজী বৰ্ষক আঁকোৱালি ল'বলৈ। সময়ৰ টিকনিত ধৰি জীৱন সজাবলৈ জীয়াই থকা দিনকেইটিত নেদেখাজনক স্মৰণ কৰিয়েই সকলো আগবাঢ়ি অহাৰ দৰে আমিও আগবাঢ়িব লাগিব। নতুন উদ্যম, নতুন সাহস, প্ৰেৰণা আৰু কৰ্মৰে আমি সমাজৰ হকে, দেশ আৰু দহৰ বাবে কাম কৰিব লাগিব। নতুন বৰ্ষটো হওঁক অন্য বছৰতকৈ পৃথক বৰ্ষ। কেৱল চৰকাৰে ঘোষণা কৰিলে বুলিয়েই আমি গ্ৰন্থ পঢ়াৰ বৰ্ষৰূপে ২০২৫ক যিদৰে আঁকোৱালি লৈছিলো ঠিক একেদৰেই আমি নিজেই ২০২৬ বৰ্ষটিও তেনে এটি নিৰ্দিষ্ট বৰ্ষ হিচাপে লৈ মনপুতি কোনো এটা কাম অথবা বিষয়ত মনোনিৱেশ কৰিব লাগিব।

'পঢ়াই পঢ়ে ৰোৱে পাণ, এই তিনিয়ে নিশ্চিন্তে আন'- এই আপ্তবাক্যশাৰীক পালন কৰিবলৈ আমি সময়, সমাজৰ লগতে নিজৰ আৰ্থিক অৱস্থাক চম্ভালি চলিব লাগিব। সময়ৰ লগত চলিবলৈ বৰ্তমান আৰ্থিক অৱস্থাও সুস্থিৰ হোৱাটো অত্যন্ত গুৰুত্বপূৰ্ণ দিশ হোৱা হেতুকে নৱবৰ্ষটো হওঁক সকলোৰে আৰ্থিক দিশ টনকিয়াল হোৱাৰ এটি ৰঙীন বৰ্ষ।

কথাতেই কয়, দেহা থাকিলেহে বেহা। সেয়েহে এই বৰ্ষত সকলোৱে নিজৰ আৰু পৰিয়ালৰ সদস্যৰ স্বাস্থ্যক প্ৰথমে গুৰুত্ব দি পিছত নিজ কৰ্মত হাতে কামে লাগিবলৈ আমাৰ এয়া অনুৰোধ। বৰশীৰ টোপত কাৱৈ মাছে কামুৰি ধৰাৰ দৰে, এলাহে লগ এৰা নিদিলেও আমিও নিজে এই বৰ্ষটিত নিজক ভালে ৰাখিবলৈ ইতিবাচক ভাল লগা সময়ৰ কামবোৰ সময়ত সুস্বাস্থ্য বৰ্তি ৰখাই কৰিবলৈ চেষ্টা আগবঢ়াব লাগিব। কিছু নতুন আশাৰে অধ্যয়নৰ দিশটোক অধিক মনোনিৱেশ কৰাৰ বৰ্ষ হ'ব লাগিব ২০২৬ বৰ্ষ।

আন কিছু কথাৰেও নতুন আৰম্ভণি হ'ব পাৰে নৱবৰ্ষৰ। যেনে- আমি দেখি আহিছো দিনে দিনে চিকিৎসালয়ত ভিন্ন ৰোগীৰ সংখ্যা ক্ৰমে বৃদ্ধি পাই আহিছে, ইয়াৰ মূলতেই আছে আমাৰ খাদ্য সম্ভাৰ আৰু পৰিৱেশ। গতিকে আমি ৰাসায়নিক সাৰবিহীন খাদ্যৰ পৰা হাত সাৰিবলৈ নিজ গৃহ, গাঁও অথবা নিজে থকা ঠাইত, য'ত যিদৰে সুবিধা হয় সেই ঠাইৰ পৰা জৈৱিক পদ্ধতিৰে কৃষি বিপ্লৱ এটি গঢ়ি তুলিব পাৰো। শিলৰ ৰেখাৰ দৰে ডাঠি ক'ব পাৰো যে যুৱ প্ৰজন্মই কৃষি বিপ্লৱৰ নামত সঁচাই আগবাঢ়ি আহিলে এই বিপ্লৱে ন ৰূপ ল'ব, নিবনুৱাৰ সংস্থাপন বাঢ়িব, মানুহে ভেজালৰ পৰিৱৰ্তে ঘৰুৱা শাক-পাচলি খাবলৈ পাব আৰু কিছু পৰিমাণে হ'লেও মাহেকে পযেকে গাঁৱে-ভূঞে, চহৰে মানুহৰ দৰৱৰ নামত খৰছ হোৱা টকা কেইটিমানৰ দ্বাৰা দুখন ভাল কিতাপ কিনি নিজৰ সন্তানে আৰু নিজেও পঢ়িবলৈ পাব। এনে ইতিবাচক কথাই আমাৰ সমাজৰ অচলাৱস্থা দূৰ কৰে। বৰ্তমান সময়ত ধৰ্মীয় গোড়ামি ইত্যাদি ৰাজনৈতিক বিষয়বস্তুৰ ওপৰত গভীৰ অধ্যয়ন আৰু ইয়াৰ সমাধানৰ আৱশ্যকতা আছে। তেনে ভিন্ন ৰাজনৈতিক, সামাজিক স্পৰ্শকাতৰ বিষয়সমূহৰ ইতিবাচক পৰ্যালোচনা আৰু সমাধান কৰি আমি যুৱ প্ৰজন্মই সমাজৰ সেন্দুৰীয়া বাট কটাৰ প্ৰচেষ্টা হওঁক ২০২৬ বৰ্ষ। ব্যক্তিগতভাৱেই ভাৰতৰত্ন ড° ভূপেন হাজৰিকা, লুইতকণ্ঠ হাৰ্ট থ্ৰব জুবিন গাৰ্গৰ দৰে অসমীয়া মহান মনীষী ইত্যাদি অসমীয়াৰ জীৱন কীৰ্তিৰ আলোচনা আৰু সৃষ্টিৰাজী সম্পৰ্কে অধ্যয়ন কৰিবলৈ মই আগবাঢ়িছো। যুৱ প্ৰজন্মৰ আন ব্যক্তিয়েও এনে বিষয়ত নিজৰ অধ্যয়ন, গৱেষণা ইত্যাদি আগবঢ়াই নিব পাৰে। মহাপুৰুষ দুজনাৰ সৃষ্টি, হেৰুৱাই যোৱা লোকসংস্কৃতি, পৰম্পৰা, নিজ, নিজ অঞ্চলৰ ইতিবৃত্ত, ঐতিহ্য, ইতিহাসক বৰ্তমান আৰু ভৱিষ্যত প্ৰজন্মৰ অধ্যয়ন আৰু আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে গঢ়ি তোলাৰ প্ৰয়োজনবোধ কৰি আহিছো। চৰকাৰ, প্ৰশাসনেও শিক্ষিত যুৱ প্ৰজন্মক লৈ তেওঁলোকৰ ইতিবাচক চিন্তাধাৰা, মতামতসমূহৰ সপক্ষে গুৰুত্ব আৰোপ কৰি এই বিষয়সমূহ সমাধান কৰাৰ বৰ্ষৰূপে ২০২৬ ত কাম কৰিব পাৰে। সৰুতে দেখিছিলো গুৱাহাটী হওঁক অথবা ইয়াৰ ওচৰে-পাজৰে স্থানীৰ চহৰ অথচ গাঁৱে ভূঞেও মানুহে জাৱৰ, প্লাষ্টিক ইত্যাদি য'তে ত'তে পেলাই আহিছে। কিন্তু কিছু বছৰৰ পৰা লক্ষ্য কৰিছোঁ, এই ক্ষেত্ৰত যেন আমি নৱ-প্ৰজন্ম (GEN-Z) অথবা যুৱ প্ৰজন্ম আমাতকৈ বয়সীয়া লোকসকলতকৈ অধিক সজাগ-সচেতন। সৰ্বসাধাৰণতে আজিৰ যুৱ প্ৰজন্মই পেলনীয়া বস্তু পেলাবলৈ সততেই ডাষ্টবিন ইত্যাদিয়েই ব্যৱহাৰ কৰে। সেয়ে আমি এই নতুন বৰ্ষত যুৱ প্ৰজন্ম আৰু চৰকাৰ, প্ৰশাসন তথা সমাজৰ প্ৰতিগৰাকী লোকেই পৰিৱেশ সংৰক্ষণ, স্বচ্ছতা ইত্যাদি এনে ভিন্ন দিশত দায়বদ্ধ হওঁ বুলি সংকল্প লওঁ আহক। তেতিয়াহে বছৰৰ শেষত প্ৰত্যেক বছৰৰ দৰেই নিৰূপায় হৈ 'পূৰ্বৰ দৰেই পাৰ কৰিলোঁ আন এটি বৰ্ষ' বুলি লিখাতকৈ যেন নেদেখাজনে কুশলে ৰাখিলে লিখিব পাৰোঁ আমি 'সাফল্য, আনন্দৰ এটি সেউজীয়া বৰ্ষ ২০২৬'।

**ম'বাইল ঃ** ৯৩৬৫২-০৩৭৫২

# জ্যেষ্ঠ সাংবাদিক পৰেশ বৈশ্যক অসম বাৰ্তাজীৱী সংঘৰ সম্বৰ্ধনা




**গুৱাহাটী ঃ** অসম বাৰ্তাজীৱী সংঘৰ সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠান দুদিনীয়া কাৰ্যসূচীৰে ৫ জানুৱাৰীত গুৱাহাটীত সামৰণি পৰে। সামৰণি অনুষ্ঠানত কামৰূপ জিলাৰ জ্যেষ্ঠ সাংবাদিক পৰেশ বৈশ্যৰ লগতে ৰাজ্যখনৰ কেইবাগৰাকীও সাংবাদিকক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত সংঘৰ তৰফৰপৰা পৰা জ্যেষ্ঠ সাংবাদিক পৰেশ বৈশ্যক গামোচা, মানপত্ৰ, ট্ৰফীৰে বিপুলভাৱে সম্বৰ্ধনা জনোৱা হয়। সংঘৰ হৈ নিয়মীয়া বাৰ্তাৰ সম্পাদক নৰেশ কলিতাই বৈশ্যক সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে ১৯৭৮ চনৰ পৰাই সাংবাদিকতাৰ পৃথিৱীত প্ৰৱেশ কৰা বৈশ্যই মহাজাতি, যুগধ্বনি, পূৰ্বাঞ্চল বাতৰি, দ্য আছাম ট্ৰিবিউন, নতুন দৈনিক, আজিৰ বাতৰি আদিত সাংবাদিকতা কৰাৰ উপৰিও পযেকীয়া কাকত' 'হাজোৰ বাতৰি' পঁচিশ বছৰ ধৰি সম্পাদন কৰে। পাছলৈ তেখেতে অসমীয়া দৈনিক 'আজিৰ সংবাদ'ৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰে। শেহতীয়াকৈ তেখেতে 'অসম প্ৰৱাহ'ৰ সম্পাদনাৰ লগতো জড়িত হৈ আছে।

# বঁটা প্ৰদান আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠান




**অনামিকা (সংগীতা) কলিতা, শুৱালকুছি ঃ** সৰ্বপলী ৰাধাকৃষ্ণনে কৈছিল- গ্ৰন্থই অন্ধকাৰ দিশৰ পৰা পোহৰলৈ গতি কৰায়। অংকুৰণ প্ৰকাশন আৰু পযেকীয়া ই আলোচনীৰ উদ্যোগত ২০২৬ চনৰ জানুৱাৰী ২ তাৰিখে প্ৰেছ ক্লাৱত গ্ৰন্থ উন্মোচন আৰু বঁটা প্ৰদান অনুষ্ঠানটো অনুষ্ঠিত হয়। যোৰহাট অংকুৰণ প্ৰকাশনৰ স্বত্বাধিকাৰী হেমেন নাথ ডাঙৰীয়াই ন-পুৰণি সকলো লেখকক উৎসাহিত কৰাৰ উদ্দেশ্যে কবিতা, গল্প, প্ৰৱন্ধ, শিশু বিষয়কে ধৰি কেইবাটাও বিষয়ৰ পাণ্ডুলিপি প্ৰতিযোগিতা অনুষ্ঠিত কৰে আহিছে। সেই অনুসৰি লেখকসকলক একোখন গ্ৰন্থ বনাই দিয়াৰ লগতে প্ৰকাশন গোষ্ঠী আৰু পযেকীয়া ই-আলোচনীৰ তৰফৰ পৰা লেখকক মানপত্ৰ, মমেন্ট, কিতাপৰ টোপোলা ফুলাম গামোচাৰে সন্মান প্ৰদান কৰে। বহুত দূৰ-দূৰণিৰ পৰা লেখকসকলে নিজৰ সমলখিনিৰ এখন গ্ৰন্থ আৰু স্বীকৃতি লাভ কৰে সেয়া এক সুন্দৰ উপহাৰ।

বিগত বছৰৰ দৰে এইবেলিও উক্ত দিনত ১০০খনৰ ওপৰত গ্ৰন্থ উন্মোচন হয়। কাব্য কানন কাব্যলোচনীৰ সম্পাদক তথা বিশিষ্ট কবি নৱ ৰাজন, বিশিষ্ট কবি তথা অনুবাদক গুণীন চৌধুৰী, বিশিষ্ট উপন্যাসিক তথা গল্পকাৰ ৰুমি তালুকদাৰ, বিশিষ্ট কবি ৰীতা বৰুৱা আদি কৰি বহুত কেইগৰাকী বিশিষ্ট ব্যক্তিৰ হাতেৰে গ্ৰন্থবোৰ উন্মোচন হয়। লেখিকা তথা সমাজ সেৱিকা অনামিকা (সংগীতা) কলিতাৰ প্ৰবন্ধ সংকলন 'চিন্তন', অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী লেখিকা ৰুক্মিণী দাসৰ অণুগল্প পুথি সিন্দূৰ, লেখিকা তথা সমাজ সেৱিকা মঞ্জু কাকতিৰ কবিতা পুথি 'হৃদয়ৰ বীণাত শব্দৰ জংকাৰ', শিক্ষয়িত্ৰী লেখিকা হীৰামণি বৈশ্যৰ কবিতা পুথি 'অনুভূতিৰ এমুঠি' আৰু অণুগল্প পুথি 'অণুৰেণুৰ ছাঁ', লেখিকা তথা সমাজ সেৱিকা নমিতা দাস গল্প পুথি 'অংগণা' আৰু লেখক আব্দুল কাদেৰ মিঞাৰ কবিতা পুথি 'মই এটা ব্যৰ্থ কবিতা' আৰু লেখক চন্দ্ৰ শেখৰ পৰাজুলি প্ৰবন্ধ পুথি 'মনৰ মাজত যুদ্ধ', ড° দেৱেন্দ্ৰ নাথ শইকীয়াৰ কবিতা পুথি 'গাপ লগা শেৱালিৰ সুৱাস' এনেকৈ অনেক লেখকৰ গ্ৰন্থ উন্মোচন কৰে।

**ম'বাইল ঃ** ৭০০২৯-৪২৫৯১

# ডিব্ৰুগড়ৰ মিৰ্জাবাগ মছজিদৰ পেশ ইমাম মৌলনা আনোৱাৰ হুছেইনৰ স্বেচ্ছা অৱসৰ গ্ৰহণ




**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত মিৰ্জাবাগ মছজিদৰ পেশ ইমাম মৌলানা আনোৱাৰ হুছেইনে যোৱা ৩১-১২-২০২৫ তাৰিখে প্ৰায় সত্তৰ বছৰ বয়সত স্বেচ্ছায় অৱসৰ গ্ৰহণ কৰে। পেশ ইমাম গৰাকীক আৱেগ বিহ্বল বিদায় সম্ভাষণ জনাবলৈ মীৰ্জাবাগ ৰাইজৰ লগতে মছজিদ জামাতে এক বিদায় সভা অনুষ্ঠিত কৰে। সভাত বৃহত্তৰ ডিব্ৰুগড়ৰ বহু জামাতৰ ইমামসকল, জামাতৰ জ্যেষ্ঠ সদস্যসকল, উপদেষ্টাসকল, সদস্যসকল, স্থানীয় যুৱ সংগঠনৰ সদস্যসকলৰ উপৰিও বহু শিশু উপস্থিত থাকি বিদায় সভাখনিক স্মৰণীয় কৰি তোলে। মছজিদ পৰিচালনা সমিতিৰ এই কামক অনন্য বুলি একমুখে বিশিষ্ট ব্যক্তিসকলে স্বীকাৰ কৰে। উপস্থিত বিজ্ঞ আলিম উলেমাসকলে এনে অনুষ্ঠানৰ আয়োজন কৰি সকলো মছজিদৰ প্ৰতিগৰাকী ইমামক যথোচিত সন্মান প্ৰদৰ্শন কৰি বিদায় দিবলৈ আহ্বান কৰে আৰু এই মহান কামৰ বাবে পৰিচালনা কমিটিৰ সদস্য-কৰ্মকৰ্তাসকলক অভিনন্দন জ্ঞাপন কৰে। উল্লেখযোগ্য যে ডিব্ৰুগড় আমোলাপট্টিত অৱস্থিত মিৰ্জাবাগৰ ঐতিহ্যমণ্ডিত পুৰণি মছজিদটি ১৮৮৯ চনত স্থাপন হৈছিল। ১৩৭ বছৰ গৰকা পুৰণি আমোলাপট্টি মিৰ্জাবাগৰ মছজিদৰ পেশ ইমাম আনোৱাৰ হুছেইন চাহাবে ১৯৭৭ চনৰ দুই ডিচেম্বৰত ঐতিহ্যমণ্ডিত মিৰ্জাবাগ মছজিদত কৰ্তব্যত যোগদান কৰি ৪৮ বছৰ ইমামতি কৰে। ইমাম অনোৱাৰ হুছেইন কৰিমগঞ্জ জিলাৰ বাগবাড়ি গাঁৱৰ নিৱাসী। তেওঁ শিক্ষা আহৰণ কৰে মদিনাতুন উলুম মাদ্ৰাছা বাগবাড়ি, কৰিমগঞ্জত। ১৯৭৪ চনত 'মৌলানা' আৰু পিচত 'ক্বাৰী' ডিগ্ৰীলৈ ১৯৭৫ চনত শিৱসাগৰ চহৰৰ বাবুপট্টি মছজিদত ইমামতিৰে কৰ্মজীৱন আৰম্ভ কৰে। তেখেত মিৰ্জাবাগ মছজিদত ১৯৭৭ চনৰ চ ডিচেম্বৰত পেশ ইমাম নিযুক্তি লাভ কৰে আৰু তেতিয়াৰ পৰা এক অভিলেখ সময়ৰ বাবে ৪৮ বছৰ কাল ইমামতি কৰি সেৱা আগবঢ়াই আহিছে। মৌলনা আনোৱাৰ হুছেইন চাহাবে ৪৮ টা বছৰৰ ভিতৰত মাত্ৰ তিনিবাৰ নিজা ঘৰলৈ গৈছিল বুলি স্থানীয় ৰাইজে জানিবলৈ দিয়ে। আনকি তেওঁ নিজেই চুটি ল'ব নিবিচাৰিছিল। প্ৰথম কামত যোগদান কৰোতে তেখেতৰ মাহিলী দৰমহা আছিল কেৱল ১০০ (এশ টকা) মাত্ৰ। এই সম্বৰ্ধনা অনুষ্ঠানত ফুলাম গামোছা, মানপত্ৰ আৰু সুদীৰ্ঘ দিন সেৱা আগবঢ়োৱাৰ বাবে ৰাইজে এককালীন সাহাৰ্য হিচাপে ৩ লাখ টকা উপহাৰৰ লগতে বিভিন্ন উপহাৰেৰে তেখেতক সন্মানিত কৰে। অনুষ্ঠানত মিৰ্জাবাগ মছজিদ সমিতিৰ উপদেষ্টা আব্দুল খালেক, সভাপতি মিৰ্জা মোস্তাফা ৰহমান বেগ, উপ-সভাপতি মতিউৰ ৰহমান, যুটীয়া সম্পাদক জেদ এন মোস্তাইন বেগ, আবু নাচেৰ, কোষাধ্যক্ষ জুনেইদ আহমেদকে আদি কৰি আমোলাপট্টি মিৰ্জাবাগ অঞ্চলৰ বহুতো শুভাকাংক্ষী এই অনুষ্ঠানত অংশগ্ৰহণ কৰে।

# নগাঁও জিলা যাজক উপ-সমিতিৰ দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

## ব্ৰাহ্মণসকলে নিজৰ সম্প্ৰদায়ৰ সলনি মানৱ জাতিৰ কল্যাণৰ চিন্তা কৰি আহিছে ঃ সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্য



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলা ব্ৰাহ্মণ সমাজৰ ভাতৃ সংগঠন নগাঁও জিলা যাজক উপ-সমিতিৰ দ্বি-বাৰ্ষিক অধিৱেশনখনি বেছ ওলহ-মালহেৰে জাজৰি আঞ্চলিক ব্ৰাহ্মণ সমাজৰ ব্যৱস্থাপনাত জিলাখনৰ জাজৰিৰ শ্ৰীশ্ৰীবিষ্ণু মন্দিৰ প্ৰাংগণত দেওবাৰে সফলতাৰে পৰে। এই মৰ্মে, শ্ৰী শ্ৰীবিষ্ণু মন্দিৰ প্ৰাংগণত উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। কাৰ্যসূচী অনুসৰি শনিবাৰে প্ৰথম দিনা পুৱাৰ ভাগত শ্ৰী শ্ৰীবিষ্ণু পূজা আৰু আহুতি প্ৰদানৰ লগতে বিয়লি প্ৰতিনিধি সভা আৰু বিষয় বাচনি সভা অনুষ্ঠিত কৰা হয়। সেইদৰে দেওবাৰে দ্বিতীয় দিনা পুৱা পৰিৱেশ নিকাকৰণৰ অন্তত পতাকা উত্তোলন কৰে নগাঁও জিলা যাজক উপ-সমিতিৰ সভাপতি তোযেশ্বৰ দেৱ শৰ্মাই আৰু স্মৃতি তৰ্পণ কৰে জাজৰি আঞ্চলিক ব্ৰাহ্মণ সমাজৰ জ্যেষ্ঠ সদস্য মদন শৰ্মাই। ইয়াৰ পিছতে দুপৰীয়া তোযেশ্বৰ দেৱ শৰ্মাৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা মুকলি সভাখনিৰ শুভ উদ্বোধন কৰে বিশিষ্ট সাহিত্যিক তথা হাতীচোং আঞ্চলিক ব্ৰাহ্মণ সমাজৰ সভাপতি ত্ৰৈলোক্য ভট্টাচাৰ্যই। তেওঁ নিজৰ ভাষণত ব্ৰাহ্মণসকলৰ কৰ্ম আৰু আদৰ্শৰাজিৰ আলোকপাত কৰি কয় যে--সকলো জীৱৰে চাৰিটা প্ৰবৃত্তি আছে। আহাৰ, নিদ্ৰা, ভয় আৰু ধৰ্ম। ইয়াৰে ধৰ্ম অৰ্থাৎ আধ্যাত্মিক চিন্তা-দৰ্শন কেৱল মানুহেহে পালন কৰে। আন কোনো জীৱই ইয়াক পালন নকৰে। এই মানৱ সমাজৰ মানুহৰ একেবাৰে বিনিময় নিবিচৰা সকল হৈছে ব্ৰাহ্মণসকল। ব্ৰাহ্মণসকলৰ এক বিশেষত্ব হৈছে অতীজৰে পৰা তেওঁলোকে নিজৰ সম্প্ৰদায়ৰ সলনি সমস্ত মানৱ জাতিৰ কল্যাণৰ হকে চিন্তা কৰি আহিছে। প্ৰসংগত তেওঁ দধীচি, চাণক্য, পাণিনি আদিৰ নাম উল্লেখ কৰে। নগাঁও জিলা যাজক উপ-সমিতিৰ সম্পাদক যাদৱ শৰ্মাই আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাখনিৰ আদৰণি ভাষণ প্ৰদান কৰে জাজৰি আঞ্চলিক ব্ৰাহ্মণ সমাজৰ সভাপতি হৰমোহন শৰ্মাই। সভাত নিৰুদ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি 'যাজক সংগঠন আৰু কৰণীয়' শীৰ্ষক বিষয়ৰ ওপৰত বক্তৃতা প্ৰদান কৰে কলিয়াবৰ আঞ্চলিক ব্ৰাহ্মণ সমাজৰ সভাপতি ৰেৱকান্ত শৰ্মাই। তদুপৰি সভাত বিশিষ্ট অতিথি হিচাপে নগাঁও জিলা ব্ৰাহ্মণ সমাজৰ সভাপতি নৰেন্দ্ৰ শৰ্মা আৰু নগাঁও জিলা ব্ৰাহ্মণ সমাজৰ সভানেত্ৰী বিজয়ন্তী খাউণ্ড উপস্থিত থাকি সাৰমৰ্মী ভাষণ আগবঢ়ায়। উক্ত সভাতে সমাজলৈ বিশেষ সেৱা আগবঢ়োৱা কেইবাগৰাকী জ্যেষ্ঠ ব্ৰাহ্মণক উদ্যোক্তা সমিতিৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। নৰেন বৰঠাকুৰৰ দ্বাৰা পৰিৱেশিত মংগলাচৰণেৰে শুভাৰম্ভ কৰা গাম্ভীৰ্যপূৰ্ণ সভাখনিত নগাঁও জিলা ব্ৰাহ্মণ সমাজৰ প্ৰাক্তন সভাপতি লক্ষীনাৰায়ন শৰ্মা, নগাঁও জিলা যাজক উপ-সমিতিৰ কাৰ্যকৰী সভাপতি ৰাজেন শৰ্মা, বিষয়ববীয়া দেৱানন্দ ভাগৱতী, মহিলা সমিতিৰ গুনদা গোস্বামী, কবি ৰাম গোস্বামী, জ্যেষ্ঠ সাংবাদিক জয়ন্ত মুদৈ, জাজৰি আঞ্চলিক ব্ৰাহ্মণ সমাজৰ সম্পাদক বাবুল শৰ্মা, সদস্য বিপিন শৰ্মা, অভ্যৰ্থনা সমিতিৰ কৰ্মকৰ্তা হৰেশ চন্দ্ৰ শৰ্মা, ৰাতুল শৰ্মা, ডিম্বেশ্বৰ শৰ্মা, বিশ্বজিৎ শৰ্মা, হৰেণ ভট্টাচাৰ্য আদিকে ধৰি কেইবাশতাধিক লোক উপস্থিত থাকে।

# ম'বাইলৰ ফোনৰ ভাল আৰু বেয়া দিশ

■ **পংকজ শইকীয়া,** নগাঁও

**ব**ৰ্তমান সময়ত ম'বাইল ফোনৰ ব্যৱহাৰে যুৱ চামক ধ্বংসৰ পথলৈ ঠেলি দিছে। অতীতক সুঁৱৰি যদি আমি ত্ৰিছ বছৰৰ আগলৈ ঘূৰি যাওঁ তেনেহ'লে অনুধাৱন কৰিব পাৰিম যে সেই সময়ত সমাজত ম'বাইলৰ অতিকৈ প্ৰভাৱ বিস্তাৰ হোৱা নাছিল। ফলত অতীতত শিশু সকলৰ পৰা বৃদ্ধজনলৈকে মানসিক সুস্থিৰতা সৱল হোৱাৰ লগতে স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলেও ম'বাইলৰ কৱলৰ পৰা বিৰত থাকি নিজৰ জীৱনটোৰ গতি ওলোটা হোৱাৰ লগতে যুৱতীসকল যৌনতাৰ বলি হোৱাৰ পৰা হাত সাৰি আছিল। অতীতত ম'বাইল ব্যৱহাৰ নকৰাকৈ ছাত্ৰ-ছাত্ৰীসকল কি দেশৰ সুনাগৰিক হোৱা নাছিল নেকি? ইয়াক লৈ বৰ্তমান সমাজৰ সচেতন লোক সকলে সজাগতাৰ মাধ্যমৰে সাধাৰণ জনগনক সচেতন হোৱাৰ লগতে ম'বাইলৰ বেয়া দিশ সমূহৰ পৰা বিৰত থাকিবলৈ দাবী জনাই আহিছে। এতিয়া কথা হ'ল ম'বাইলৰ ব্যৱহাৰ বিশেষকৈ শিশুসকলে ব্যৱহাৰ কৰাক অতি চিন্তাৰ বিষয় হৈ পৰিছে। যদি আপোনাৰ বা মোৰ শিশুটিয়ে ম'বাইলটো এবাৰ হাতেৰে চুব পাৰে তেনেহ'লে খোৱা-বোৱা, পঢ়াশুনা পাহৰি যায় কেৱল ম'বাইলত ভিন্ন ভাল-বেয়া মনোৰঞ্জন ধৰ্মী ছবি, কাৰ্টুন, ৰিলছ্ বনাই দিন আৰু আধা নিশা পাৰ কৰিছে। ইয়াৰ বাবে মূলত অভিভাৱক সকলো সম্পূৰ্ণ ৰূপে জগৰীয়া কাৰণ আপুনি বা মই যদি নিজৰ সন্তাটিয়ে ম'বাইলটো বিচাৰিলে হেলাৰঙে দি দিওঁ। প্ৰথমে খং-ৰাগ কৰি ম'ৱাইল চালে বেয়া তোমাৰ চকু নষ্ট হ'ব, মগজুত বেয়াকৈ ক্ৰিয়া কৰিব বুলি কওঁ কিন্তু ক'লে কি হ'ব। প্ৰথমে বাঘৰ দৰে ৰঙা চকু দেখুৱাই তাৰ পিছত মৰমৰে চুমা চাই হেলাৰঙে ম'বাইলটো নিজ সন্তানটি হাততলৈ দি ম'বাইলৰ অসৎ ব্যৱহাৰ কৰিবলৈ দিওঁ। এয়া জানো অভিভাৱকসকলৰ নিজ সন্তানটিক গঢ় দিয়াৰ ক্ষেত্ৰত চৰম বিফলতা নহয়। সেয়ে প্ৰথমে আমি অভিভাৱকসকল সচেতন হ'ব লাগিব। অৱশ্যে ম'বাইলৰ ভাল গুণো নথকা নহয় এতিয়া এজনে সিজনৰ লগত নিজৰ -নিজৰ মনোভাৱ সময় অনিষ্ট নকৰাকৈয়ে ম'বাইলৰ যোগেদি জানিব পাৰে। আপুনি লণ্ডন বা আমেৰিকা য'তেই থাকক এতিয়া ইজনে-সিজনৰ মনোভাৱ ম'বাইলৰ যোগেদি জানিব পাৰো। তাৰোপৰি ইণ্টাৰনেটৰ জৰিয়তে যিকোনো যিকোনো তথ্য বা জ্ঞান সহজে লাভ কৰিব পাৰি, যিয়ে শিক্ষা আৰু সচেতনতা বৃদ্ধি কৰে। তাৰোপৰি ছাত্ৰ-ছাত্ৰীসকলে অনলাইন শিক্ষা জৰিয়তে পূৰ্বৰ শিক্ষাৰ তুলনাত বহুখিনি আগবাঢ়ি যাবলৈ সক্ষম হৈছে। বেহা-বেপাৰৰ ক্ষেত্ৰটো ম'বাইলৰ ব্যৱহাৰ অপৰীসীম। আনহাতে যদি ম'বাইলৰ আসক্তি কথা আমি চমুকৈ ক'ব বিচাৰো তেনেহ'লে উঠি অহা যুব চামৰ পৰা বৃদ্ধজনলৈকে ম'বাইলৰ অত্যাধিক ব্যৱহাৰে দৃষ্টি শক্তি কমি যোৱা, মূৰৰ বিষ, শাৰীৰিক নিস্ক্ৰিয়তাকে আদি কৰি বিভিন্নধৰণৰ সমস্যা বৰ্তমান সমাজত দেখিবলৈ পোৱা গৈছে। তদুপৰি ম'বাইলৰ ব্যৱহাৰে মানসিক চাপ বৃদ্ধি কৰা, আপুনি বা মই পৰিয়ালৰ লোকসকলৰ লগত মুখামুখিকৈ বহি একাপ চাহ খোৱা বা নিজৰ মনৰ ভাৱসমূহ পৰিয়ালৰ লোকৰ লগত স্বতঃস্ফূৰ্ত বিশ্লেষণ কৰা পৰিসৰ ইতিমধ্যে হ্ৰাস পাবলৈ ধৰিছে। ইয়াৰ মূলতঃ মূলত কাৰণ হৈছে ম'ৱাইল ফোনৰ ব্যৱহাৰ। শেষত আমি এটা কথাই ক'ব লাগিব যে ম'বাইলৰ ভাল আৰু বিয়া দুয়োটা গুণেই আছে যদি ভাল গুণসমূহ গ্ৰহণ কৰি বেয়া গুণসমূহ পৰিহাৰ কৰিব পাৰো তেনেহ'লে ম'বাইল ফোনে জনসমাজত এক সুকীয়া আসন অলংকৃত কৰিব বুলি বিশ্বৰ বুদ্ধিজীৱিসকলে বিশ্বাস কৰাৰ লগতে উঠি অহা যুৱ চামটোক ম'বাইলৰ পৰা ভাল দিশসমূহ আয়ত্ত কৰি উল্লেখিত বিষয়সমূহ মানি চলি নিজকে এক সুন্দৰ ভবিষ্যতে গঢ় দিবলৈ সু পৰামৰ্শ আগবঢ়ায়।

**ম'বাইল ঃ** ৯৬১৩২-০০০৪৫

# পোতনী কমাৰ গাঁৱত কৃষক প্ৰশিক্ষণ শিবিৰ সম্পন্ন

## সৰিয়হৰ খেতিত ড্ৰোণৰ জৰিয়তে নেনো ইউৰিয়া সাৰ প্ৰয়োগৰ প্ৰদৰ্শনৰ ব্যৱস্থা




**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলা কৃষি বিভাগৰ সৌজন্যত মধুবন দুগ্ধ উৎপাদক সমবায় সমিতি লিমিটেডৰ সহযোগত পোতনি কমাৰ গাঁৱত এটি কৃষক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় ভোজ্য তেল আৰু তৈল বীজ অভিযানৰ অধীনত নৈনে কৃষি চক্ৰ এলেকাৰ কমাৰ গাঁও,ঘোগৰ জলাহ, বিহুৰী গাঁও, তেলীয়া গাঁৱৰ তিনি শতাধিক কৃষক উপস্থিত থকা এই প্ৰশিক্ষণ শিবিৰত সৰিয়হৰ লগতে মচুৰ মাহৰ আদি দিশত প্ৰশিক্ষণ প্ৰদান কৰে চিলঙনী মাণ্ডলিক গৱেষণা কেন্দ্ৰৰ কৃষি বিজ্ঞানী ড° বিনোদ কলিতা, ড° নৱজ্যোতি ভূঞা আৰু ড° হিৰণ্য দেৱনাথে। এই প্ৰশিক্ষণ শিবিৰত সংশ্লিষ্ট বিভাগৰ বিষয়াসকলে কৃষকসকলৰ লগত তেওঁলোকৰ সমস্যা আৰু ইয়াৰ সমাধানৰ সন্দৰ্ভত আলোচনা কৰে। উক্ত প্ৰশিক্ষণ শিবিৰত নগাঁও জিলা কৃষি বিষয়া নিখিল নাৰায়ণ বৰুৱা, নগাঁও মহকুমা কৃষি বিষয়া ক্ৰমে অসীম পাঠক, মফিদুৰ ৰহমান (মৰাপাট), জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া কল্যাণ গোস্বামী, কৃষি উন্নয়ন বিষয়া মাধূৰ্য হাজৰিকা, কৃষি পৰিদৰ্শক দীপক শইকীয়া, কৃষি সম্প্ৰসাৰণ সহায়ক লাতু শৰ্মা, জ্যোতি হাজৰিকা, গৌৰী শংকৰ নাথ, জ্যেষ্ঠ নাগৰিক ধনীৰাম বৰা, শ্যাম বৰুৱা, শলিয়া শইকীয়া, মধুবন সমবায় সমিতিৰ সভাপতি নন্দেশ্বৰ শইকীয়া, সম্পাদক শৰৎ বৰা, সদস্য ক্ৰমে নগেন শইকীয়া, ভাৰত কাকতি, প্ৰাঞ্জল ভূঞা আদি উপস্থিত থাকে। উক্ত প্ৰশিক্ষণ শিবিৰৰ অন্তত এই আঁচনিৰ অধীনত বৃহত্তৰ অঞ্চলটোত ৰূপায়ণ কৰি থকা প্ৰায় ২০০০ বিঘা সৰিয়হৰ প্ৰদৰ্শনমূলক খেতিত ড্ৰোণৰ জৰিয়তে নেনো ইউৰিয়া সাৰ প্ৰয়োগৰ প্ৰদৰ্শনৰ ব্যৱস্থা গ্ৰহণ কৰা হয়।

# নগাঁৱত বিকল্প চিকিৎসাৰ অনুশীলনকাৰীৰ সভা

## সংস্থা গঠনেৰে ঐক্যবদ্ধ হোৱাৰ অংগীকাৰ




**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁৱত বিকল্প চিকিৎসাৰ অনুশীলনকাৰী সকলৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। 'এছ'চিয়েচনৰ অৱ অল্টাৰনেটিভ মেডিচিন প্ৰেক্টিশ্যনাৰছ্ অৱ আছাম'ৰ উদ্যোগত লায়ন্স ক্লাবৰ সভাগৃহত অনুষ্ঠিত হোৱা এই সভাত সংগঠনটোৰ সভাপতি অশোক কুমাৰ গগৈ, সম্পাদক ফৰিদ খান, উপদেষ্টা কামাল হাচান, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক আফজল খান আদিকে ধৰি অসমৰ ভিন্ন প্ৰান্তৰ অনুশীলনকাৰীসকল উপস্থিত থাকে। সক্ৰিয় ৰাজহুৱা কৰ্মী দিব্যজ্যোতি বৰুৱা মুখ্য অতিথি হিচাপে উপস্থিত থকা এই সভাখনত বিকল্প চিকিৎসাৰ অনুশীলনকাৰীসকলৰ বিভিন্ন সমস্যা সন্দৰ্ভত আলোকপাত কৰাৰ লগতে তেওঁলোকৰ চিকিৎসাৰ উপকাৰিতাৰ সন্দৰ্ভতো বিস্তৃত আলোচনা আগবঢ়োৱা হয়। এই সভাতেই তেওঁলোকে ঐক্যবদ্ধ হ'বৰ বাবে নগাঁৱৰ খুটিকটীয়াত এটি কাৰ্যালয় মুকলি কৰি 'এছ'চিয়েচনৰ অৱ অল্টাৰনেটিভ মেডিচিন অনুশীলনকাৰী সংস্থা' চমুকৈ 'আমপা' গঠন কৰে।

# শিলৰ বুকুত সপোনৰ গাঁও মনচান্তো

■ **কাজি শ্বাহাদত ইছলাম,** সোনাইঘুলী, গুৱাহাটী



**পা**থৰেৰে নির্মিত এখন বিশেষ গাঁও। শুনিলে আচৰিত লাগে নহয় নে? হয়, পৃথিৱীত এনে বহু ঠাই আছে যিবোৰ দেখিলে চিনেমাৰ পৰ্দা বা সাধুকথাৰ দৰে লাগে। শেহতীয়াকৈ পতুৰ্গালত জর্জ আৰ. আৰ. মার্টিন (George R. R. Martin) আৰু ৰায়ান কণ্ডাল (Ryan Condal)-এ একেলগে নির্মাণ কৰা ধাৰাবাহিক 'হাউচ অৱ দ্যা ড্ৰেগন' (house of the dragon)ৰ শ্বুটিং কৰা এখন গাঁও সমাজিক মাধ্যমত বৰকৈ চর্চা আৰম্ভ হৈছে। ধাৰাবাহিকখনৰ ড্ৰেগনষ্টোন দুৰ্গৰ বাবে এই ঠাইখনক বাচনি কৰা হৈছিল, কিয়নো ইয়াৰ প্ৰাকৃতিক পৰিৱেশটো আছিল অতি ৰহস্যময় আৰু মহাকাব্যিক। পর্তুগালৰ বিস্ময়কৰ গাঁওখনৰ নাম হৈছে মনচান্তো (Monsanto)। গাঁওখনক শিলৰ বুকুত খোদিত এক জীৱন্ত ইতিহাস বুলি ক'ব পাৰি।

পর্তুগালৰ 'কাষ্টেলো ব্ৰাঙ্কো' জিলাৰ পাহাৰীয়া অঞ্চলত অৱস্থিত 'মনচান্তো' কেৱল এখন গাঁও নহয়, ই হ'ল প্ৰকৃতি আৰু মানুহৰ এক অপূর্ব সহাৱস্থানৰ ব্যতিক্ৰমী নিদর্শন। গাঁওখনৰ ঠেক আৰু ওখোৰা-মোখোৰা শিলৰ ৰাস্তাৰে খোজ কাঢ়িলে এনে লাগে যেন কোনোবা এখন কাল্পনিক জগততহে বিচৰণ কৰিছে। ১৯৩৮ চনত গাঁওখনে এক বিশেষ ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিছিল 'পর্তুগালৰ আটাইতকৈ পর্তুগীজ গাঁও' (The Most Portuguese Village in Portugal) হিচাপে। এই স্বীকৃতিৰ বিষয়ে তলত বিতংভাৱে আলোচনা কৰা হ'ল ঃ

পর্তুগালৰ তৎকালীন চৰকাৰে (Estado Novo regime) এখন প্ৰতিযোগিতাৰ আয়োজন কৰিছিল যাৰ উদ্দেশ্য আছিল দেশখনৰ আটাইতকৈ পৰম্পৰাগত আৰু খাঁটি সংস্কৃতি বহন কৰা এখন গাঁও বিচাৰি উলিওৱা। এই প্ৰতিযোগিতাত মনচান্তোৱে বিজয়ী হয়। বিজয়ীৰ পুৰষ্কাৰ স্বৰূপে গাঁওখনক এটি ৰূপৰ কুকুৰা (Silver Rooster) উপহাৰ দিয়া হৈছিল। আজিও মনচান্তোৰ বিখ্যাত 'লুকানো টাৱাৰ' (Torre de Lucano) বা ক্লক টাৱাৰৰ ওপৰত এই ৰূপৰ কুকুৰাটোৰ এটা ভাস্কৰ্য্য স্থাপন কৰা আছে, যিটো গাঁওখনৰ বাবে এক গৌৰৱৰ প্ৰতীক স্বৰূপ। মনচান্তোক এই সন্মান দিয়াৰ মূল কাৰণসমূহ বৰ গুৰুত্বপূর্ণ আৰু আনন্দদায়ক আছিল। সেইসমূহ তলত উল্লেখ কৰা হ'ল ঃ

১। শিলৰ সৈতে একাকাৰ হোৱা স্থাপত্য (Integration with Nature) ঃ

মনচান্টোৰ আটাইতকৈ ডাঙৰ বৈশিষ্ট্য হ'ল ইয়াৰ অপূর্ব নির্মাণশৈলী। আমাৰ দেশসমূহত সৰু সৰু অজুহাত লৈ গছ-গছনি আৰু পাহাৰবোৰ কাটি মেলি প্ৰাকৃতিকভাৱে আমাক দুৰ্বল কৰে অথচ সেই অঞ্চলৰ মানুহে বিশালাকাৰ গ্ৰেনাইট শিলবোৰ কাটি আঁতৰাই নিদিয়াকৈ সেইবোৰক বেৰ বা চাল হিচাপে ব্যৱহাৰ কৰি ঘৰবোৰ নিৰ্মাণ কৰিছিল। এই অনন্য স্থাপত্যই গাঁওখনক এক কাল্পনিক বা পৌৰাণিক ৰূপ দিছিল, যিটো পর্তুগীজ সংস্কৃতিৰ বাবে এক বিৰল নিদর্শন আছিল।

২। পৰম্পৰা আৰু সংস্কৃতিৰ সংৰক্ষণ ঃ

১৯৩০-ৰ দশকত যেতিয়া ইউৰোপৰ বহু ঠাইত আধুনিকীকৰণৰ প্ৰভাৱ পৰিবলৈ আৰম্ভ কৰিছিল, আধুনিকতাৰ প্ৰবাহত উটি নগৈ তেতিয়া মনচান্তোৱে ইয়াৰ পুৰণি ৰীতি-নীতি, সাজ-পাৰ আৰু লোক-সংস্কৃতি অক্ষুণ্ণ ৰাখিছিল। চৰকাৰে এনে এখন গাঁও বিচাৰিছিল যিখনত দেশৰ 'আচল শিপা' বিচাৰি পোৱা যায়।

৩। ঐতিহাসিক দুৰ্গ আৰু প্ৰতিৰোধৰ ইতিহাস ঃ

মনচান্তোৰ পাহাৰৰ ওপৰত 'কেষ্টোল অৱ মনচান্তো' (Castle of Monsanto) নামৰ মধ্যযুগীয় এটি দুৰ্গ আছিল। এই দুৰ্গটো মনচান্তো পাহাৰৰ একেবাৰে শিখৰত (প্ৰায় ৭৬৩ মিটাৰ উচ্চতাত) অৱস্থিত। 'কেষ্টোল অৱ মনচান্তো' (Castle of Monsanto) কেৱল শিলৰ এটা গাঁথনি নহয়, বৰঞ্চ ই পর্তুগীজসকলৰ অদম্য সাহস আৰু দেশপ্ৰেমৰ এক জীৱন্ত সাক্ষী। এই দুৰ্গটোৰ সৈতে জড়িত আটাইতকৈ বিখ্যাত কাহিনীটো হৈছে 'ফেষ্টা ডাছ ক্ৰুজেছ' (Festa das Cruzes) বা 'ক্ৰুচৰ উৎসৱ', যিয়ে গাঁওখনক দেশপ্ৰেমৰ এক অনন্য প্ৰতীক হিচাপে গঢ়ি তুলিছিল। কথিত আছে যে এই গাঁওখনে শত্ৰুৰ আক্ৰমণৰ বিৰুদ্ধে দীৰ্ঘদিন ধৰি সাহসেৰে যুঁজ দিছিল। ইয়াৰ এনে ঐতিহাসিক গুৰুত্বই ইয়াক সন্মানীয় খিতাপ পোৱাত সহায় কৰিছিল।

৪। 'মাৰাফোনাছ' (Marafonas) পুতলা আৰু উৎসৱ ঃ

গাঁওখনৰ এক অনন্য পৰম্পৰা হ'ল 'মাৰাফোনাছ' নামৰ মুখ নোহোৱা কাপোৰৰ পুতলা। এই পুতলাই উৰ্বৰতা আৰু সৌভাগ্যৰ প্ৰতীক হিচাপে কাম কৰে বুলি লোকবিশ্বাস আছে। লগতে 'ফেষ্টা ডি ক্ৰুজেছ' (Festa das Cruzes) নামৰ ঐতিহাসিক উৎসৱটোৱে মনচান্তোক এক সুকীয়া সাংস্কৃতিক পৰিচয় দিছিল। 'ফেষ্টা ডাছ ক্ৰুজেছ' (Festa das Cruzes) বা 'ক্ৰছৰ উৎসৱ' হ'ল পর্তুগালৰ অন্যতম পুৰণি আৰু বিখ্যাত ধৰ্মীয় তথা সাংস্কৃতিক উৎসৱ। মূলতঃ বাৰ্চেলোছ (Barcelos) চহৰত ই অতি জাকজমকতাৰে পালন কৰিছিল যদিও 'মাৰাফোনাছ' পুতলাৰ সৈতে জড়িত থকা কাৰণে মনচান্তো (Monsanto) গাঁৱতো ইয়াক পালন কৰিছিল। যাৰ ফলত ইয়াৰ এক বিশেষ তাৎপৰ্য্য আছে। ইয়াৰ আৰম্ভণি ১৫০৪ চনত হৈছিল বুলি বিশ্বাস কৰা হয়। কিংবদন্তি অনুসৰি, এজন মুচিয়ে মাটিত এটা উজ্বল 'ক্ৰছ' বা ধৰ্মীয় চিহ্ন দেখা পাইছিল, যাক এক অলৌকিক ঘটনা বুলি গণ্য কৰা হৈছিল। তেতিয়াৰ পৰাই এই 'পৱিত্ৰ ক্ৰছ'ৰ প্ৰতি সন্মান জনাই এই উৎসৱ পালন কৰা হয়।

৫। ৰাজনৈতিক কাৰণ (Estado Novo) ঃ

সেই সময়ত পর্তুগালত এণ্টনিঅ' ডি অলিভেইৰা চালাজাৰৰ শাসন চলি আছিল। তেওঁৰ চৰকাৰে ৰাষ্ট্ৰীয়তাবাদ (Nationalism) প্ৰসাৰ কৰিবলৈ বিচাৰিছিল। মনচান্তোক আদর্শ হিচাপে তুলি ধৰি তেওঁলোকে বিশ্বক দেখুৱাব বিচাৰিছিল যে পর্তুগীজসকল কিমান কষ্টসহিষ্ণু, ধাৰ্মিক আৰু নিজৰ পৰম্পৰাৰ প্ৰতি শ্ৰদ্ধাশীল।

এই সন্মান লাভ কৰাৰ পিছত মনচান্তোক এক 'জীৱন্ত সংগ্ৰহালয়' হিচাপে গণ্য কৰা হয়। আজিও ইয়াত নতুনকৈ আধুনিক ধৰণৰ ঘৰ সজা বা ইয়াৰ প্ৰাচীন ৰূপ সলনি কৰাটো আইনগতভাৱে কঠোৰভাৱে নিষিদ্ধ।

মনচান্তোৰ ইতিহাস অতি প্ৰাচীন। খ্ৰীষ্টপূর্ব দ্বিতীয় শতিকাৰ পৰাই ইয়াত মানুহৰ বসতি থকাৰ প্ৰমাণ পোৱা যায়। ১২ শতিকাত ৰজা চেন্সো প্ৰথমে এই ঠাইখন মুছলমানসকলৰ পৰা উদ্ধাৰ কৰি ইয়াৰ দায়িত্ব 'নাইটছ টেম্পলাৰ' (Knights Templar) সকলক দিছিল। তেওঁলোকেই পাহাৰৰ শিখৰত সেই বিখ্যাত দুৰ্গটো নিৰ্মাণ কৰিছিল, যাৰ ধ্বংসাৱশেষ আজিও অক্ষত অৱস্থাত আছে। এই গাঁওখন ইয়াৰ চহকী লোক-সংস্কৃতিৰ বাবেও পৰিচিত। প্ৰতি বছৰে মে' মাহত উদ্‌যাপন কৰা 'ফেষ্টা অৱ দ্যা হলি ক্ৰছ' ইয়াৰ এক অন্যতম উৎসৱ। এই উৎসৱে গাঁওবাসীৰ এক ঐতিহাসিক বিজয়ৰ কাহিনী সোঁৱৰাই দিয়ে।

মনচান্তো এনে এক ঠাই য'ত সময় যেন থমকি ৰৈছে। শিলৰ মাজেৰে নির্মিত এই গাঁওখনে আমাক এইটোৱেই শিক্ষা দিয়ে যে প্ৰকৃতিৰ পৰিৱৰ্তন নকৰাকৈয়ো মানুহে কেনেকৈ এক সুন্দৰ সভ্যতা গঢ়ি তুলিব পাৰে। পৰ্যটকসকলৰ বাবে ই কেৱল এটা গন্তব্য স্থান নহয়, বৰঞ্চ এক অবিস্মৰণীয় অভিজ্ঞতা। 'হাউচ অৱ দ্যা ড্ৰেগন' (house of the dragon) ধাৰাবাহিকখন মুক্তি পোৱাৰ আগলৈকে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত তেন্তে চর্চা হোৱা নাছিল যদিও ধাৰাবাহিকখনৰ মুক্তিৰ পাছত দেশ-বিদেশৰ পৰা অগণন পৰ্যটক আৰু ইউটিউবাৰে তাত ভিৰ কৰিছে।

আপোনালোকে যদি কেতিয়াবা তালৈ যাব বিচাৰে তেন্তে কেনেকৈ যাব পাৰিব তাৰ বিৱৰণ তলত দিয়া হ'ল ঃ

মনচান্তো (Monsanto) লৈ যোৱাৰ বাবে কোনো পোনপটীয়া বিমান বা ৰে'ল সেৱা নাই। আপুনি মূলতঃ ৰাজধানী লিচবন (Lisbon) বা পোর্টো (Porto) চহৰৰ পৰা যাত্ৰা কৰিব লাগিব।

মনচান্তোলৈ যোৱাৰ আটাইতকৈ সুবিধাজনক উপায় হ'ল গাড়ী ভাড়া কৰা। লিচবনৰ পৰা প্ৰায় গাঁওখনৰ দূৰত্ব প্ৰায় ২৭৬ কিলোমিটাৰ আৰু সময় লাগে, ঘণ্টাৰ পৰা ৩ ঘণ্টা ৩০ মিনিট। ৰাস্তাৰ বিৱৰণৰ বাবে আপুনি গুগল মেপ (Google maps)-ৰ সহায় ল'ব পাৰে। গাড়ীত লিচবনৰ পৰা Aৰ হাইৱে লৈ তাৰ পিছত A23 ঘাইপথেৰে কাষ্টেলো ব্ৰাংকো (Castelo Branco)ৰ দিশলৈ আগুৱাব লাগে। এই যাত্ৰাপথৰ পাহাৰীয়া দৃশ্যবোৰ অতি মনোৰম তথা উপভোগ্য, যিয়ে ভ্ৰমণকাৰীৰ মন পুলকিত কৰি তোলে।

-যদি আপুনি ৰাজহুৱা পৰিৱহণ ব্যৱহাৰ কৰিব বিচাৰে তেন্তে প্ৰথমে লিচবনৰ "Sete Rios" বাছ টাৰ্মিনেলৰ পৰা Rede Expressos বাছেৰে প্ৰথমে Castelo Branco চহৰলৈ যাব লাগিব। তাৰ পিছত Castelo Branco-ৰ পৰা স্থানীয় বাছেৰে মনচান্তোলৈ যাব পাৰি। এটা বিষয়ত সাৱধান হ'ব যে এই স্থানীয় বাছবোৰৰ সংখ্যা অতি কম (দিনটোত ১-২ খনহে থাকে), গতিকে যোৱাৰ আগতে সময়সূচী ভালদৰে পৰীক্ষা কৰি ল'ব।

-ৰে'লপথেৰে আপুনি পোনপটীয়াকৈ মনচান্তো পাব নোৱাৰে। সৰ্বপ্ৰথমে আপুনি লিচবনৰ পৰা ৰে'লেৰে Castelo Branco ষ্টেচনলৈ যাব লাগিব। তাৰ পিছত তাৰ পৰা টেক্সি বা বাছ লৈ মনচান্তোলৈ (প্ৰায় ১ ঘণ্টাৰ ৰাস্তা) যাব লাগিব।

ভ্ৰমণৰ বাবে কিছু দৰকাৰী পৰামর্শ ঃ

মনচান্তো এখন অতি পাহাৰীয়া আৰু পাথৰীয়া ঠাই। ইয়াত ঘূৰি ফুৰিবলৈ হ'লে আৰামদায়ক জোতা (Walking shoes) লগত ৰখাটো অতি প্ৰয়োজনীয়। থকা মেলাৰ ক্ষেত্ৰত এনেকুৱা ঠাই বাছনি কৰিব যাতে তাৰ পৰা মনচান্তোৰ সুন্দৰ সূৰ্যাস্তৰ মনোৰম দৃশ্য উপভোগ কৰিব পাৰে। ইয়াৰ বাবে আপুনি তাত থকা সৰু সৰু গেষ্ট হাউচ বা 'কাছা' (Casa) পাই যাব। 'কাছা' (Casa)-ৰ অৰ্থ হ'ল ঘৰ। ঠাইখন পৰ্যটনৰ বাবে বিখ্যাত হ'লেও স্থানীয় লোকৰ সৈতে যোগাযোগ কৰিবলৈ অলপ পর্তুগীজ শব্দ বা "Google Translate" সহায় ল'লে ভাল।

আপুনি যদি আধুনিক চহৰৰ কোলাহলৰ পৰা আঁতৰি কোনো এক পৰীৰ দেশৰ দৰে ঠাইত হেৰাই যাব বিচাৰে, তেন্তে মনচান্তো আপোনাৰ বাবে এক নিখুঁত তথা উপযুক্ত গন্তব্যস্থান হ'ব পাৰে। গতিকে আপুনি পর্তুগাল ভ্ৰমণৰ কথা চিন্তা কৰক আৰু আপোনাৰ তালিকাত মনচান্তোৰ নামটোও অন্তৰ্ভুক্ত কৰক। যদিও যাতায়াতৰ বাবে অলপ পৰিকল্পনাৰ পৰিশ্ৰমৰ প্ৰয়োজন হয়, কিন্তু তাত থকা বিশাল গ্ৰেনাইট পাথৰৰ ঘৰবোৰ আৰু মনোৰম প্ৰাকৃতিক দৃশ্যই আপোনাৰ সমগ্ৰ পৰিশ্ৰম সাৰ্থক কৰি তুলিব। সোনকালে নিজৰ বেগটটো লৈ সাজু হওক এই বিস্ময়কৰ যাত্ৰাৰ বাবে।

(তথ্য সংগ্ৰহ - ইউটিউব, গুগল , গুগল মেপ)

**ম'বাইল ঃ** ৬০০২৫-৯৪৪৩০

# পশ্চিম বংগৰ কোচবিহাৰত ৰাষ্ট্ৰীয় কোচ যুৱ মহোৎসৱ সম্পন্ন

## অসম, মেঘালয়, নেপালৰ লগতে বিভিন্ন প্ৰান্তৰ পৰা একত্ৰিত হয় কোচসকল

**চন্দন শৰ্মা, তেজপুৰ ঃ** পশ্চিম বংগৰ কোচবিহাৰৰ পঞ্চনন স্মৃতি ভৱনৰ মঞ্চত দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় কোচ যুৱ মহোৎসৱভাগ বহু উলহ মালহৰে সম্পন্ন হয়। দিল্লী উচ্চন্যায়লয়ৰ অধিবক্তা ডালিয়া দাসে আঁত ধৰা মূল সভাখনৰ কাৰ্যসূচী মৰ্মে প্ৰথমে কোচ সম্প্ৰদায়সকলৰ জাতীয় বীৰ শ্বহিদসকলৰ আত্মাৰ সদ্‌গতি কামনাৰে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰি ৰাষ্ট্ৰীয় কোচ যুৱ মহোৎসৱৰ মূল সভাৰ আৰম্ভ হয়। তাৰপিছত মেঘালয়ৰ কোচ এছ'চিয়েশ্যনৰ সাধাৰণ সম্পাদক সুৰবিত কোচে কোচসকলৰ ভাষাৰ সন্দৰ্ভত সভাত উপস্থিত থকা নৱ প্ৰজন্মসকলক বিশদভাৱে আলোকপাত কৰে। সভাপতি জাজাং কামা কোচে কোচসকলৰ ভাষা আৰু সংস্কৃতিৰ সন্দৰ্ভত বিষদভাৱে আলোচনা মাধ্যমৰে চিনাকী কৰায়। অসমৰ লগতে বিভিন্ন ৰাষ্ট্ৰত বসবাস কৰা কোচ সম্প্ৰদায়ৰ বিভিন্ন জনগোষ্ঠীসকল একত্ৰিত হ'লেহে নিজৰ জাতি, সংস্কৃতি, ভাষা, খাদ্য-সম্ভাৰ, ব্যৱহৃত সা-সামগ্ৰীসমূহ সংৰক্ষণ কৰি উঠি অহা প্ৰজন্মসকলৰ মাজত পৰিচয় কৰালেহে নিজৰ জাতি সংৰক্ষিত হ'ব বুলি মন্তব্য প্ৰকাশ কৰে অসমৰ পৰা প্ৰতিনিধিত্ব কৰা বিশেষ আমন্ত্ৰিত অতিথি হিচাপে আসন অলংকৃত কৰা মানৱ অধিকাৰ আয়োগৰ সঞ্চালক তথা মহাজাতি টুৱেন্তি ফ'ৰ লাইভৰ স্বত্বাধিকাৰ ড° পৰশমণি সিংহই। বিশিষ্ট অতিথি হিচাপে অসমৰ পৰা প্ৰতিনিধিত্ব কৰে কোচ সম্প্ৰদায়ৰ জনপ্ৰতিনিধি প্ৰশান্ত জ্যোতি শইকীয়া আৰু অসম বুক অফ ৰেকৰ্ডচত নিজৰ নাম জিলিকাবলৈ সক্ষম হোৱা শোণিতপুৰ জিলাৰ তেজপুৰ, জামুগুৰিহাটৰ যুৱ সাংবাদিক চন্দন শৰ্মাৰ লগতে বিভিন্ন প্ৰান্তৰ পৰা অহা বহুকেইজন কোচ সম্প্ৰদায়সকলৰ গণ্যমান্য ব্যক্তিয়ে। অনুষ্ঠানত মেঘালয়ৰ কোচ সম্ৰদায়সকলৰ জনপ্ৰিয় জনোগোষ্ঠীয় নৃত্য হ'ক, গোৱালপৰীয়া লোক গীত, ভগাই নৃত্যৰ লগতে বহুকেইটা সংগীতানুষ্ঠানে উপস্থিত দৰ্শকৰ মন আকৰ্ষণ কৰিবলৈ সক্ষম হয়।

# লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশন


সঞ্জীৱ উপাধ্যায়
সভাপতি
লখিমপুৰ জিলা
সাহিত্য সভা


জীৱন সন্দিকৈ
প্ৰাক্তন সভাপতি
আয়োজক সমিতি শিমলুগুৰি
শাখা সাহিত্য সভা


দেৱজিৎ দুৱৰা
সম্পাদক, স্মৃতিগ্ৰন্থ
আয়োজক সমিতি শিমলুগুৰি
শাখা সাহিত্য সভা


অনন্ত গগৈ
কাৰ্যকৰী সভাপতি
আয়োজক সমিতি শিমলুগুৰি
শাখা সাহিত্য সভা


যোগানন্দ গগৈ
সম্পাদক
আয়োজক সমিতি শিমলুগুৰি
শাখা সাহিত্য সভা


দীপক ইছলাৰী
শাখা সম্পাদক
আয়োজক সমিতি শিমলুগুৰি
শাখা সাহিত্য সভা


বিতোপন গগৈ
সভাপতি
শিমলুগুৰি শাখা
সাহিত্য সভা

## শাখা সাহিত্য সভাৰ ভূমিকা ঃ দায়িত্ব আৰু কৰ্ত্তব্য

■ **জীৱন সন্দিকৈ**
প্ৰাক্তন সভাপতি, শিমলুগুৰি স্বৰ্ণ শাখা সাহিত্য সভা

চিৰ চেনেহী ভাষা জননীৰ উন্নতিৰ কাৰণে অসম সাহিত্য সভাক শক্তিশালী, গতিশীল, প্ৰাণৱন্ত কৰি তোলাত শাখা সাহিত্য সভাসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। অসম সাহিত্য সভা, জিলা সাহিত্য সভা আৰু শাখা সাহিত্য সভাসমূহৰ যৌথ প্ৰচেষ্টাইহে ভাষা জননীৰ সৰ্বাঙ্গীণ উন্নতি সাধে। বিশেষকৈ অসম সাহিত্য সভাৰ উদ্দেশ্য, লক্ষ্য আৰু আদৰ্শক তৃণমূল পৰ্যায়ত বাস্তৱায়িত আৰু ৰূপায়িত কৰাত শাখা সাহিত্য সভাসমূহে মুখ্য ভূমিকা পালন কৰিব লাগিব। অসম সাহিত্য সভাৰ লগত শাখা সাহিত্য সভাসমূহৰ এলেকাৰ সাহিত্যানুৰাগী জনসাধাৰণক সংযোগ কৰি সাহিত্য সভাক জনমুখী কৰি তুলিবলৈ মুখ্য প্ৰচেষ্টা হাতত ল'ব লাগিব। শাখা সাহিত্য সভাসমূহে এটা বিশেষভাৱে উল্লেখযোগ্য অৱদান আগবঢ়াব পাৰিব লাগিব, সেইটো হ'ল শাখাৰ অন্তৰ্গত অঞ্চলৰ লেখক-লেখিকাৰ মাজত পাৰস্পৰিক সম্পৰ্ক গাঢ়কৰণ, ভাৱৰ আদান-প্ৰদান, সহায়-সহযোগ আৰু বন্ধুত্ব-ভাতৃত্বৰ এনাজৰীডাল কটকটীয়া কৰাৰ লগতে উদীয়মান নবীন-প্ৰবীণ কবি, সাহিত্যিক, সাংবাদিক, গল্পকাৰ, ঔপন্যাসিক, শিল্পী আৰু সমাজ সংগঠকসকলে সাহিত্য সভাৰ লগত স্বতঃস্ফুৰ্তভাৱে নিজকে সৰ্বান্তকৰণে আৰু নিষ্ঠা-সততাৰে আৰু জাতীয় সেৱাৰ মনোভাৱেৰে আগবাঢ়ি আহিলে শাখা সাহিত্য সভাবোৰ সুসংগঠিত, সুপৰিচালিত হয়। কিন্তু এই ক্ষেত্ৰত এষাৰ কথা কৈ থোৱাটো সমীচিন হ'ব যে কোনো কাৰণতে যাতে অ-সংস্কৃতিবান, অসৎ প্ৰকৃতিৰ, দুৰ্নীতি পৰায়ণ, সাম্প্ৰদায়িক ভাৱাপন্ন আৰু মানৱতাহীন লোক শাখা সাহিত্য সভাসমূহৰ মাজত সোমাই শাখাসমূহক কলুষিত কৰিব নোৱাৰে। শাখা সাহিত্য সভাসমূহে অসম সাহিত্য সভাক হাড়ে-হিমজুৰে আঁকোৱালি লোৱা সংস্কৃতিবান লোকসকলৰ সহযোগিতাৰে সাহিত্য চৰ্চাত আগ নাবাঢ়িলে অসম সাহিত্য সভাই হওঁক বা শাখা সাহিত্য সভাই হওঁক নিজ লক্ষ্য আৰু উদ্দেশ্যসাধনত অকৃতকাৰ্য হ'বলৈ বাধ্য। শাখা সাহিত্য সভাসমূহে নিজ নিজ অঞ্চলত কৰিব পৰা আৰু কৰিবলগীয়া কামবোৰৰ ভিতৰত নিজ নিজ অঞ্চলৰ প্ৰধান প্ৰধান ঠাইবোৰৰ নাম, তাৰ অৰ্থ, ঐতিহাসিক পটভূমি, ইতিবৃত্তমূলক নৈ, খাল-বিল, পুখুৰী, আলিবাট, ঐতিহাসিক তীৰ্থস্থান, সাংস্কৃতিক ঐতিহ্যৰ বিৱৰণ ইত্যাদি কথাবোৰ তন্ন তন্নকৈ উদ্ধাৰ কৰি শাখা সাহিত্য সভাসমূহে জনমানসত সহজলভ্য হোৱাকৈ দাঙি ধৰিব পাৰে।

## ১০ আৰু ১১ জানুৱাৰীত অধিৱেশন উপলক্ষে বিতোপন গগৈৰ সাক্ষাৎকাৰমূলক প্ৰতিবেদন

**ল**ক্ষীমপুৰ জিলা সাহিত্য সভা। জাতীয় চিন্তা-চেতনা বিকশিত আৰু সংৰক্ষণ কৰাৰ মহান উদ্দেশ্যেৰে কেইগৰাকীমান উচ্চ মনৰ ব্যক্তিসকলে ১৯১৭ চনত অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভা প্ৰতিষ্ঠা কৰিছিল। অসম সাহিত্য সভাই অসমৰ স্থায়ীভাৱে বসবাস কৰা লোকসকলৰ ভাষা, সাহিত্য আৰু সংস্কৃতিৰ উত্তৰণত নেতৃত্ব দিয়াৰ লগতে ঐক্য আৰু প্ৰগতিৰ দিশত কাম কৰি আহিছে। লক্ষীমপুৰ জিলাতো ১৯১২ চনৰ পৰাই সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱা, নীলকণ্ঠ গোঁহাঞিবৰুৱা, পানীন্দ্ৰ নাথ গগৈ আদি সাহিত্যনুৰাগীয়ে উত্তৰ লক্ষীমপুৰ সাহিত্য সভা গঠন কৰি ভাষা সাহিত্যৰ উত্তৰণৰ বাবে মনোনিৱেশ কৰিছিল। তেতিয়াৰ পৰাই লক্ষীমপুৰ জিলাৰ সাহিত্য সংস্কৃতিৰ বিকাশৰ ধাৰা অব্যাহত ৰাখি লক্ষীমপুৰ জিলা সাহিত্য সভাই মুখপত্ৰ সোৱণশিৰি ,কাব্য কানন আৰু বিভিন্ন গ্ৰন্থ প্ৰকাশ কৰি আহিছে। বৰ্তমান ২০২৫-২৭ বৰ্ষৰ সমিতিখনে দায়িত্বভাৰ হাতত লৈ ছমাহত মুখপত্ৰ, সোৱণশিৰি, কবিতাৰ পত্ৰিকা, কাব্য কানন, লক্ষীমপুৰ জিলাত প্ৰথমবাৰৰ বাবে ই-আলোচনী আৰু বহুতো লেখকৰ গ্ৰন্থ প্ৰকাশ কৰিছে। জিলা সাহিত্য সভাৰ এই সমিতি বৰ্তমান এবছৰ সম্পূৰ্ণ হোৱাৰ বাবে শিমলুগুৰি শাখা সাহিত্য সভাৰ (স্বৰ্ণ শাখাৰ স্বীকৃতিপ্ৰাপ্ত) আতিথ্যত মধ্যকালীন অধিৱেশন উদ্‌যাপনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। অধিৱেশনত আদৰণী সমিতিৰ স্মৃতি গ্ৰন্থ, শাখাৰ মুখপত্ৰ আৰু জিলাৰ মুখপত্ৰ, কাব্য কানন আৰু ই আলোচনী প্ৰকাশ পাব। মধ্যকালীন অধিৱেশন সফল কৰিবলৈ আদৰণী সমিতিয়ে চেষ্টা অব্যাহত ৰখাৰ বাবে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ হৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**সঞ্জীৱ উপাধ্যায়**, সভাপতি

### সন্মিলনৰ সমৱেত গীত

**কথা- বিতোপন গগৈ, সুৰ- তুলসী গগৈ**

আজীৱন ফুৰিলো বিচাৰি
সপোন সুগন্ধি; ফুলৰ সুৰভি
যাতনা আহিছো পাহৰি
শব্দভেদী কৰোঁ বন্দনা
জীৱন নাটৰ গভীৰ গানত....
পদ্মপাণি... আমাৰ সাৰথি
জয়মতী, গদাধৰ, ফুলৰ চানেকি
জোনাকী যুগৰ লক্ষীমপুৰৰ
'ল'ৰা শিক্ষা' ৰচিলা অসম দেশৰ...
সময়ৰ নাটনি,
নেপালো আজৰি
নেচালো চকুফুৰাই প্ৰসিদ্ধ বুৰঞ্জী
ঘূমতি ভাঙিছে... পোহৰো হৈছে
বৰগোহাঞিয়ে 'বিশ্বকোষ' আনিছে
ৰৈ ৰৈ শুনিছো
আবেলিৰ বেলিকা
বাজিছে নতুন সুৰ
মন আমাৰ উন্মনা।

## সংক্ষেপে শিমলুগুৰি

লক্ষীমপুৰ জিলাৰ পশ্চিমপ্ৰান্তৰ অসম অৰুণাচল প্ৰদেশৰ সীমান্তত অৱস্থিত এখন জনবহুল ঠাই হৈছে শিমলুগুৰি। জানিব পৰা মতে অঞ্চলটোৰ কোনো এটা স্থানত এজোপা প্ৰকাণ্ড শিমলু গছ আছিল। সেই গছজোপাৰ নামেৰেই এই ঠাইখনিৰ নাম শিমলুগুৰি হ'লগৈ বুলি অনুমান কৰিব পাৰি। ৰাজগড়, ৰঙতি আৰু শিমলুগুৰি গাঁও পঞ্চায়তৰ মুল কেন্দ্ৰস্থল হ'ল শিমলুগুৰি। শিমলুগুৰিৰ পূৱে পিছলা নদী আৰু ৰঙতি, পশ্চিমে চেঁচা নদী আৰু বিশ্বনাথ জিলা, উত্তৰে ঐতিহাসিক ৰাজগড় আলি আৰু অৰুণাচল প্ৰদেশ, দক্ষিণে উত্তৰ-পূৱ সীমান্ত ৰে'ল পথ আৰু হাৱাজান অৱস্থিত। শিমলুগুৰি বিভিন্ন জাতি জনগোষ্ঠীৰ মিলনভূমি। সম্প্ৰতি শিমলুগুৰিত টাই আহোম, বড়ো, মিচিং, চুতীয়া, কলিতা, কৈৱৰ্ত, আদিবাসী, সূত, ব্ৰাহ্মণ, গণক, গোৰ্খা, কাৰ্বি, বাংলাভাষী, মটক, কোঁচ, হিন্দী ভাষী, কেওট, মেচ কছাৰী আদি জাতি-জনগোষ্ঠীৰ লোকে বসবাস কৰি আহিছে। সকলো জাতি-জনগোষ্ঠীয়ে নিজা নিজা কলা কৃষ্টি সংস্কৃতি ৰক্ষা কৰি অহাৰ লগতে অসমীয়াৰ বাৰেৰহণীয়া সংস্কৃতি সমৃদ্ধ কৰি আহিছে। শিমলুগুৰিবাসী সাহিত্য, কৃষ্টি, সংস্কৃতি, ক্ৰীড়া আদি ক্ষেত্ৰত অতিকে চহকী। শিমলুগুৰি অঞ্চলটো বুৰঞ্জী প্ৰসিদ্ধ। শিমলুগুৰিৰ সমীপৰ ৰঙতিত ঐতিহাসিক ৰঙতি পুখুৰী আৰু মাঘনোৱাত ঐতিহাসিক মাঘনোৱা দৌল অৱস্থিত। ইয়াৰ লগতে শিমলুগুৰিৰ উত্তৰে ঐতিহাসিক গোহাঁইকমল আলি বা ৰাজগড় আলি উল্লেখযোগ্য। এই শিমলুগুৰিতে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনখনি শিমলুগুৰি স্বৰ্ণ শাখা সাহিত্য সভাৰ আতিথ্যত দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। উক্ত দুয়োটা দিনত সাহিত্যনুৰাগীৰ সমাগম ঘটিব অঞ্চলটোত। কৃষ্টি-সংস্কৃতিৰ মিলক্ষেত্ৰলৈ পৰিণত হ'ব। কেইবাখনো গ্ৰন্থ উন্মোচন হ'ব। উপস্থিত থাকিব অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী, উপ-সভাপতি পদুম ৰাজখোৱা, প্ৰধান সম্পাদক দেৱজিৎ বৰাৰ লগতে বিভিন্ন বিষয়ববীয়া। আশা কৰো সকলোৱে সহযোগিতাত অধিৱেশনখনি সফল ৰূপায়ণ হ'ব।

**দেৱজিৎ দুৱৰা**, সম্পাদক, স্মৃতিগ্ৰন্থ

# অসম গ্ৰন্থমেলাত সদৌ অসম কবি মঞ্চৰ সমাজৰত্ন দিনমণি ভাণ্ডাৰ কায়স্থ বঁটা প্ৰদান অনুষ্ঠান

**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** অসম গ্ৰন্থমেলাৰ বাকৰিত অসমৰ সাহিত্য চৰ্চাৰ অগ্ৰণী অনুষ্ঠান সদৌ অসম কবি মঞ্চৰ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান ৪ জানুৱাৰীত অনুষ্ঠিত হৈ যায়। অনুষ্ঠানৰ আৰম্ভণিত অসমৰ হিয়াৰ আমঠু, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰা হয়। সদৌ অসম কবি মঞ্চৰ প্ৰধান সম্পাদক জিতু কাঞ্চনে আঁত ধৰা অনুষ্ঠানটোৰ আদৰণি ভাষণ ৰাখে সভাপতি জাভেদ জামানে। অনুষ্ঠানত সদৌ অসম কবি মঞ্চই আয়োজন কৰা ৰাজ্যিক ভিত্তিত কাব্যগ্ৰন্থ প্ৰতিযোগিতাৰ বঁটাসমূহ প্ৰদান কৰা হয়। অনুষ্ঠানত ২০২৫ বৰ্ষৰ শ্ৰেষ্ঠ কাব্যগ্ৰন্থ হিচাপে বিবেচিত কবি হিমাংগ দাসৰ কাব্যগ্ৰন্থ বাঃ বাঃ বাড়িয়া লৈ সমাজৰত্ন দিনমণি ভাণ্ডাৰ কায়স্থ বঁটা ২০২৫ প্ৰদান কৰা হয়। উল্লেখ্য যে কাব্যগ্ৰন্থ বাঃ বাঃ বড়িয়াৰ বাবে ২০২৫ বৰ্ষৰ সমাজৰত্ন দিনমণি ভাণ্ডাৰ কায়স্থ বঁটা লাভ কৰা কবি হিমাংগ দাসলৈ নগদ ২৫০০০ টকা, স্মাৰক, মানপত্ৰ প্ৰদান কৰে সদৌ অসম কবি মঞ্চই। আনহাতে দ্বিতীয় স্থানত থকা কবি গায়ত্ৰী দেৱী বৰঠাকুৰৰ কাব্যগ্ৰন্থ 'ফেথ'মিটাৰ', তৃতীয় স্থানত থকা কবি জুৰি ৰাজখোৱা গগৈৰ কাব্যগ্ৰন্থ 'পৰুৱাই পোৱা কথাবোৰ' আৰু চতুৰ্থ স্থানত থকা কবি যোগেশ দাসৰ কাব্যগ্ৰন্থ 'পানীপিয়া পখীৰ বাসনা' লৈ সমাজৰত্ন দিনমণি ভাণ্ডাৰ কায়স্থ বিশেষ বঁটা ২০২৫ আগবঢ়োৱা হয়। ইয়াৰোপৰিও ৰজত চন্দ্ৰ ভৰালীৰ জীৱনৰ গান, জলি গোস্বামী সভাপণ্ডিতৰ অবুজ বেদনা, জ্যোতি ঘৰফলীয়াৰ কবিতাৰ কৰণিত জোনাক, অমৰজ্যোতি ঘোষৰ শিলেও কথা কয়, বুলবুল শৰ্মাৰ ওপজা মাটিৰ গোন্ধ, লতাশ্ৰী দত্তৰ নৈ পৰীয়া কথকতা, গীতা পগাগ দলেৰ অনুভৱৰ পৃথিৱী, ৰামেশ্বৰ ৰাজবংশীৰ গছ থাকিলেহে মানুহ থাকিব আৰু অৰূপ কাকতিৰ উচুপনিলৈ বিচাৰকৰ বিশেষ বঁটা প্ৰদান কৰা হয়।

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

অসম চৰকাৰ
বিদ্যালয় শিক্ষা বিভাগ

# প্ৰেৰণা

## দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলক জলপানি প্ৰদান





### কোনে আবেদন কৰিব পাৰিব

- অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থী
- আদৰ্শ বিদ্যালয়সমূহত অধ্যয়নৰত চি বি এছ ইৰ দশম শ্ৰেণী শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থী
- আৰ্থিক অৱস্থা নিৰ্বিশেষে অসমত স্থায়ীভাৱে বসবাস কৰা শিক্ষাৰ্থী

২০২৫ চনৰ নৱেম্বৰ মাহৰ পৰা
**চাৰিমাহৰ বাবে মাহিলি ৩০০ টকাকৈ**
জলপানিৰ ব্যৱস্থা

### উদ্দেশ্য

- শিক্ষাৰ্থীসকলক অধ্যয়ন সামগ্ৰী, কিতাপ, পুষ্টিকৰ খাদ্য আদি ক্ৰয় কৰাৰ দিশত সহায়তা
- শিক্ষাৰ্থীসকলৰ আত্মবিশ্বাস, মানসিক স্বাস্থ্য আৰু মনোবল বৃদ্ধি
- দৰিদ্ৰ পৰিয়াল আৰু গ্ৰামাঞ্চলৰ শিক্ষাৰ্থীৰ মাজত বিদ্যালয় ত্যাগৰ প্ৰৱণতা হ্ৰাস
- হাইস্কুল শিক্ষান্ত পৰীক্ষা/ দশম শ্ৰেণী শিক্ষান্ত পৰীক্ষাত সামগ্ৰিকভাৱে উত্তীৰ্ণৰ হাৰ বৃদ্ধি
- চৰকাৰী/ প্ৰাদেশীকৃত আৰু আদৰ্শ বিদ্যালয়সমূহত নামভৰ্তি বৃদ্ধি

উপকৃত শিক্ষাৰ্থী
**৪.৪ লাখ+**


তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

Janasanyog RO no 3868/25/9-January-26

# মুকালমুৱাৰ কান্ধবাৰীত দেৱাল লিখন কাৰ্যসূচীত চন্দ্ৰমোহন পাটোৱাৰী



**শংকৰ দাস, মুকালমুৱা ঃ** নলবাৰী জিলাৰ নৱগঠিত ৪০নং টিহু বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰক্ষেত্ৰী পশ্চিম নলবাৰীৰ জিলা পৰিষদৰ কান্ধবাৰীত অসম চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে বিজেপিৰ দেৱাল লিখন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। বিকশিত আৰু সুৰক্ষিত অসমৰ শ্লোগানেৰে ভাৰতীয় জনতা পাৰ্টীয়ে আৰম্ভ কৰা দেৱাল লিখন কাৰ্যসূচীত অসম চৰকাৰৰ বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে নলবাৰীৰ কান্ধবাৰীৰ দেৱালত পদুম ফুলৰ ছবি অংকন কৰে। ২৮নং কান্ধবাৰী-বৰধাপ গাঁও পঞ্চায়তৰ কান্ধবাৰীত দেৱাল অংকন কৰি মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে এখন জনসভাত অংশগ্ৰহণ কৰে। মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ৰাইজক উদ্দেশ্যি ভাষণ প্ৰদান কৰি কয় যে- ৰাজ্যৰ কৃষক জনসাধাৰণৰ সমান্তৰালকৈ ৰাজ্যৰ সকলো শ্ৰেণীৰ ৰাইজৰ উন্নয়নৰ বাবে চৰকাৰ বদ্ধপৰিকৰ। চৰকাৰী ধান ক্ৰয় কেন্দ্ৰত কৃষকে ধান বিক্ৰী কৰি ধানৰ প্ৰকৃত মূল্য লাভ কৰিবলৈ সক্ষম হৈছে। কৃষক সন্মান নিধি, উদ্যমিতা আঁচনি, অৰুণোদয় আঁচনি, প্ৰধামন্ত্ৰীৰ আৱাস যোজনা আঁচনিৰ প্ৰসংগ উত্থাপন কৰি বিজেপি চৰকাৰে নাৰী শিক্ষাৰ ক্ষেত্ৰতো যথেষ্ট গুৰুত্ব আৰোপ কৰিছে বুলি কয়। ইতিমধ্যে চৰকাৰে নিযুত মইনা আঁচনিৰে যুৱতীসকলক সৱলীকৰণৰ ব্যৱস্থা কৰিছে বুলিও কয় চন্দ্ৰমোহন পাটোৱাৰীয়ে। শেহতীয়াভাৱে যুৱকসকলৰ বাবে বাবু আঁচনি প্ৰদান কৰাৰ কথাও উল্লেখ কৰে। অসম চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী পাটোৱাৰীয়ে ৰাইজক উদ্দেশ্যি পুনৰাই কয় যে 'চৰকাৰে আপোনালোকক মৰম কৰিছে, আপোনালোকে আমাক মৰম কৰক, আমি আপোনালোকৰ ওচৰত সদায় আছোঁ। ভাষণ প্ৰসংগত চন্দ্ৰমোহন পাটোৱাৰীয়ে আৰু কয় যে 'কংগ্ৰেছৰ এতিয়া অস্তিত্ব নাই, কংগ্ৰেছে ক'তো জিকিব নোৱাৰে, কংগ্ৰেছৰ নেতৃত্ব এতিয়া দুৰ্বল। এতিয়া হিতেশ্বৰ শইকীয়াও নাই, তৰুণ গগৈও নাই, নাই বিমলা প্ৰসাদ চলিহাও। ভাতৃত্ববোধ গঢ়ি সমাজত জীয়াই থাকিবলৈ হ'লে বিজেপিক ভোট দিয়াৰ আহ্বান মন্ত্ৰী পাটোৱাৰীৰ। অসম চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰীগৰাকীয়ে নিজকে বিপদৰ মানুহ বুলি দাবী কৰি কয় যে 'মানুহৰ বিপদৰ সময়ত মই লগত থাকোঁ, মানুহৰ সমস্যা হ'লে আমি হিমালয় পৰ্বতৰ দৰে থিয় হওঁ। সমস্যা সমাধান কৰাৰ বাবে নিজকে বদ্ধপৰিকৰ বুলিও কয় মন্ত্ৰীগৰাকীয়ে। সংখ্যালঘু ৰাইজক উদ্দেশ্যি চন্দ্ৰমোহন পাটোৱাৰীয়ে পুনৰ কয় যে 'সময় এতিয়া পৰিৱৰ্তন হ'ল, গতিকে আপোনালোকৰ মনবোৰ এতিয়া পৰিৱৰ্তন কৰক, এয়া আহ্বান। কিয়নো আমি আপোনালোকৰ হকে কাম কৰি আহিছোঁ, আপোনালোকে আমাৰ লগত থাকক। সংখ্যালঘু অধ্যুষিত অঞ্চলত শিক্ষাৰ মান উন্নত কৰাৰ কাৰণে সংখ্যালঘু অঞ্চলত ৩০ কৌটি টকা ব্যয় সাপেক্ষে আদৰ্শ বিদ্যালয় নিৰ্মাণ কৰা বুলিও কয়। মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে সংখ্যালঘু ৰাইজক 'ধৰ্মক ধৰ্ম হিচাপে ৰাখিবলৈ আহ্বান জনায় ধৰ্মক ৰাজনীতিলৈ টানি নানিবলৈও অনুৰোধ জনায়। জনসভাত ভাৰতীয় জনতা পাৰ্টী বৰক্ষেত্ৰী পশ্চিম নলবাৰী মণ্ডলৰ সভাপতি নিপন ভড়ালী, টিহু সমষ্টিৰ বিজেপিৰ প্ৰভাৰী ৰাতুল শৰ্মা, নলবাৰী জিলা বিজেপিৰ উপ-সভাপতি ক্ৰমে পৱিত্ৰ ডেকা, বীৰেণ চন্দ্ৰ কলিতা, জিলা বিজেপিৰ সাধাৰণ সম্পাদক পুলক শৰ্মা, মণ্ডল বিজেপিৰ প্ৰাক্তন সভাপতি শৈলেন্দ্ৰ কলিতা, বিজেপি নলবাৰী জিলা সংখ্যালঘু মৰ্চাৰ সম্পাদক জাহেদুৰ ৰহমান, ভাৰতীয় জনতা পাৰ্টীৰ জ্যেষ্ঠ কাৰ্যকৰ্তা অনন্ত হালৈ, অসম সংখ্যালঘু মৰ্চাৰ সহঃ কোষাধ্যক্ষ নাজিৰউদ্দিন আহমেদ, ২৮নং কান্ধবাৰী-বৰধাপ গাঁও পঞ্চায়তৰ ২৩৪ নং বুথ সভাপতি ৰমজান আলীকে প্ৰমুখ্য কৰি ভাৰতীয় জনতা পাৰ্টীৰ পাঁচ শতাধিক নেতা-কৰ্মী উপস্থিত থাকে।

# ঐতিহাসিক শিৱসাগৰত লাইট কেমেৰা এক্সন অসমে যুৱ সাংবাদিক চন্দন শৰ্মাক ২০২৫ বৰ্ষৰ সংবাদ সৌৰভ বঁটা প্ৰদান



**নিউজ ডেস্ক ৰিপৰ্ট ঃ** ঐতিহাসিক শিৱসাগৰৰ যুৱদল প্ৰেক্ষাগৃহৰ মঞ্চত মঙলবাৰে লাইট কেমেৰা এক্সন অসমৰ উদ্যোগত আয়োজিত দিনযোৰা বিস্তৃত কাৰ্যসূচীৰে বিশেষ সম্বৰ্ধনা আৰু বিভিন্ন দিশত জড়িত বিশিষ্ট ব্যক্তিসকলক বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰে। শিৱসাগৰৰ এক বিশেষ অনুষ্ঠান লাইট কেমেৰা এক্সন অসমৰ সম্পাদক আক্ৰাম হুছেইনে আঁত ধৰা অনুষ্ঠানৰ প্ৰথমে বিশ্বৰ হামিং কিং তথা প্ৰাণৰ শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি এগছি বন্তি প্ৰজ্বলনৰে মূল সভাৰ শুভাৰম্ভ কৰে। তাৰপিছতেই বিভিন্ন দিশত সমাজৰ হকে কাম কৰা বহু বিশিষ্ট ব্যক্তিসকলৰ লগতে শোণিতপুৰ জিলাৰ ঐতিহ্যমণ্ডিত জামুগুৰিহাটৰ ৰঙাচকুৱা অঞ্চল নিৱাসী তথা যুৱ সাংবাদিক চন্দন শৰ্মাক ২০২৫ বৰ্ষৰ সংবাদ সৌৰভ বঁটা প্ৰদান কৰে লাইট কেমেৰা এক্সন অসম গোষ্ঠীৰ তৰফৰ পৰা। বিগত ২০১৫ বৰ্ষৰ পৰা ফটোগ্ৰাফী মাধ্যমৰে যাত্ৰা আৰম্ভ কৰা চন্দন শৰ্মাই ২০১৭ বৰ্ষত সাংবাদিকতাৰ মাধ্যমত খোজ পেলায়। সাংবাদিকতাৰ দৰে পৱিত্ৰ বৃত্তিত বহু কষ্ট, ধৈৰ্য্য-ত্যাগ, সমালোচনাকো নেওচি যুৱ সাংবাদিক চন্দন শৰ্মাই নিজৰ সুপ্ত প্ৰতিভাৰ জৰিয়তে সংবাদ মাধ্যমত নিৰলহ প্ৰচেষ্টাৰে শোণিতপুৰ জিলাৰ লগতে বিভিন্ন প্ৰান্ততো বাতৰি পৰিবেশন কৰি ৰাইজৰ মাজত এক আলোড়ন সৃষ্টি কৰিবলৈ সক্ষম হয়। সেইবাবেই অতি কম সময়ৰ ভিতৰতে বিগত ২০২১ বৰ্ষত গুৱাহাটীত মুক্ত কবি কণ্ঠ সংবাদ সেৰা বঁটা, গুৱাহাটী প্ৰেছ ক্লাৱত ২০২২ আৰু ২০২৩ বৰ্ষত সক্ৰিয় সাংবাদিকতাৰ বঁটা, ২০২৫ বৰ্ষত সংবাদ প্ৰহৰী বঁটা যোৰহাটত প্ৰদান কৰাৰ উপৰিও ৩০ ডিচেম্বৰত ঐতিহাসিক শিৱসাগৰত ২০২৫ বৰ্ষৰ সংবাদ সৌৰভ বঁটা প্ৰদান কৰাৰ কথাও ঘোষণা কৰে।

# শংকৰদেৱ চিত্ৰকলা বিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱৰ স্মৃতিগ্ৰন্থ 'কলাৰ্ণৱ' উন্মোচন



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ কলা সংস্কৃতি শিক্ষা চৰ্চা আৰু পৰিৱেশনৰ অন্যতম অগ্ৰণী অনুষ্ঠান শংকৰদেৱ চিত্ৰকলা বিদ্যালয়, হাতীচোঙৰ ৰূপালী জয়ন্তী বৰ্ষৰ স্মৃতিগ্ৰন্থ 'কলাৰ্ণৱ' যোৱা ৪ জানুৱাৰীত ৰূপালী জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি উন্মোচন কৰা হয়। শিক্ষাব্ৰতী ড° দেৱাশিস বেজবৰুৱাই সম্পাদনা কৰা এই স্মৃতিগ্ৰন্থখনি আনুষ্ঠানিকভাৱে উন্মোচন কৰে নগাঁও-বটদ্ৰবা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। উন্মোচক বিধায়ক শৰ্মাই স্মৃতিগ্ৰন্থখন প্ৰকাশ কৰি উলিওৱাৰ বাবে শংকৰদেৱ চিত্ৰকলা বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন সমিতিক বিশেষ ধন্যবাদ জ্ঞাপন কৰি কয় যে- নিৰৱিচ্ছিন্ন সাধনাৰে শংকৰদেৱ চিত্ৰকলা বিদ্যালয়ে এক সাংস্কৃতিক পৰিৱেশৰ সূচনা কৰি জিলাখনৰ সাংস্কৃতিক পৰিকাঠামোলৈ অৱদান আগবঢ়াই আহিছে। অনাগত দিনত বিদ্যালয়খনৰ উত্তৰণৰ বাবে চৰকাৰে প্ৰচেষ্টা গ্ৰহণ কৰাৰ পথ আছে বুলিও বিধায়কজনে লগতে কয়। অনুষ্ঠানত উপস্থিত থাকি বিশিষ্ট সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্যই নিজৰ ভাষণত চিৰন্তন সত্তাৰ সৌন্দৰ্যবোধ উপলব্ধি কৰি তিল তিলকৈ গঢ়ি এক সাংস্কৃতিক পৰিৱেশ সৃষ্টি কৰাৰ বাবে শংকৰদেৱ চিত্ৰকলা বিদ্যালয়ৰ জন্মলগ্নৰে পৰা যোৱা পঁচিশ বছৰত অৱদান আগবঢ়োৱা লোকসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰে। তদুপৰি সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ প্ৰধান সম্পাদক খগেন নাথে প্ৰদান কৰা ভাষণত গ্ৰাম্য অসমত গ্ৰন্থ আন্দোলনৰ দ্বাৰা সচেতন বৌদ্ধিক প্ৰজন্ম গঢ়ি দেশ প্ৰতি অৱদান আগবঢ়াব পৰাত সুবিধা হোৱাকৈ অসমত পুথিভঁৰাল আইন প্ৰণয়ন কৰিবলৈ চৰকাৰক আহ্বান জনায়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত উদ্‌যাপন সমিতিৰ সভাপতি ড° ধনঞ্জয় কুশ্ৰে, শংকৰদেৱ চিত্ৰকলা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মিহিৰাম ভূঞা, জ্যেষ্ঠ সাংবাদিক অজয় মাহাতো, ডিগবৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° লক্ষ্মী দেৱী, শংকৰী কৃষ্টিৰ সাধক দৰ্শন মহন্ত, কবি সঞ্জীৱ সাগৰ চৌধুৰী, ইন্টাৰনেছনেল হিউমেন ৰাইটচ এম্বেচাদৰচ্ অৰ্গেনাইজেচনৰ ৰাজ্যিক সভাপতি বিপিন বৰা, সমাজ সেৱিকা পাৰুল শইকীয়া দেৱীকে ধৰি বহুকেইজন গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# শিৱসাগৰ জিলাৰ ডিমৌত 'স্বাস্থ্যৱান শ্ৰমিক যোজনা' আঁচনিৰ শুভাৰম্ভণি



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** চাহ বাগিচাৰ জনসাধৰণৰ সু-স্বাস্থ্যৰ হকে সুলভ আৰু গুণগত মানসম্পন্ন স্বাস্থ্যসেৱা প্ৰদানৰ লক্ষ্যৰে এক সাৰ্ব্বজনীন স্বাস্থ্য পৰীক্ষা ব্যৱস্থাৰ বাবে অসমৰ স্বাস্থ্য বিভাগৰ এক অভিলাষী আঁচনি হ'ল 'স্বাস্থ্যবান শ্ৰমিক যোজনা'। যোৱা ৩ জানুৱাৰীত শিৱসাগৰ জিলাৰ আঠাবাৰী চাহ বাগিচাত অনুষ্ঠিত হয় এই অনুষ্ঠানৰ শুভাৰম্ভণি। অনুষ্ঠানটি শুভ উদ্বোধন কৰে অসম চৰকাৰৰ অসম চাহ নিগমৰ অধ্যক্ষ শিৱ প্ৰসাদ বদ্ৰায়ে। স্বাস্থ্যৱান শ্ৰমিক যোজনাৰ জিলা ভিত্তিক শুভাৰম্ভণি কৰি চাহ শ্ৰমিকৰ সু-স্বাস্থ্য সু-নিশ্চিতকৰণৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব সম্পৰ্কে যথেষ্ট গম্ভীৰ আলোচনা কৰে। চাহ-বাগিচাৰ জনসাধাৰণৰ সৰ্বাংগীন সু-স্বাস্থ্য নিশ্চিত কৰিবৰ বাবে আৰম্ভ কৰা এই স্বাস্থ্যৱান শ্ৰমিক যোজনাৰ উক্ত উদ্বোধনী অনুষ্ঠানত ডিমৌ সম-জিলা আয়ুক্ত মীনাক্ষী পাৰ্মে, যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ মাখন কলিতা, শিৱসাগৰ জিলা সহকাৰী আয়ুক্ত পৰিস্মিতা দিহিঙ্গীয়া, ডিমৌ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য আৰু চিকিৎসা বিষয়া ডাঃ বিজিৎ বৰা, আঠাবাৰী বাগিচাৰ সহ-পৰিচালক আশীষ চতুৰবেদী, চিকিৎসক ডাঃ যতীন দত্ত, জিলা সমাজ কল্যাণ বিষয়া উপমা শইকীয়া, নকুল চাউৰা, সকলো বিষয়া-কৰ্মচাৰী, দুটা ভ্ৰাম্যমাণ স্বাস্থ্যসেৱা গোট (MMU- 049,MMU -118) আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান শিৱসাগৰৰ ডি পি এম ইউৰ সদস্য আৰু ডিমৌ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বি পি এম ইউৰ সদস্য আৰু বিভিন্ন বিষয়া-কৰ্মীসকলৰ লগতে আঠাবাৰী বাগিচা অধ্যুষিত অঞ্চলৰ লগতে দাঁতিকাষৰীয়া অঞ্চলৰ লোক আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। উল্লেখ্য যে, চাহ বাগিছাখনৰ স্বাস্থ্যকৰ্মী দুলেশ্বৰ গোৱালা আৰু অসম চাহ মজদুৰ সংঘৰ সম্পাদক জিতেন বৰুৱাই অনুষ্ঠানটোৰ সম্পূৰ্ণ ব্যৱস্থাপনাৰ দায়িত্ব গ্ৰহণ কৰে।

# শিৱসাগৰত সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত পূৰ্ণাংগ নাটক 'ৰাজপথৰ বেশ্যা' সফলতাৰে মঞ্চস্থ

## প্ৰতিভাৱান ছাত্ৰ কপিল ৰাজ বৰদলৈক 'সমন্বয় প্ৰেৰণা সিন্ধু বঁটা' প্ৰদান



**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ ঃ** এটি অতি সুস্থ পৰিৱেশত ইংৰাজী নৱবৰ্ষৰ তৃতীয় দিনা অৰ্থাৎ ৩ জানুৱাৰী, শনিবাৰে সন্ধ্যা শিৱসাগৰৰ হিন্দু ধৰ্ম্মসভা নামঘৰ প্ৰেক্ষাগৃহত 'সমন্বয় সাংস্কৃতিক গোষ্ঠী'ৰ উদ্যোগত আৰু অসম নাট্য সন্মিলন—শিৱসাগৰ শাখাৰ সৌজন্যত অসমৰ যশস্বী গল্পকাৰ-নাট্যকাৰ স্বৰ্গীয় শান্তনু বৰুৱাৰ অনবদ্য সৃষ্টি 'ৰাজপথৰ বেশ্যা' নাটকখন সফলভাৱে মঞ্চস্থ কৰা হয়। এই নাট্যসন্ধ্যাটি অসমৰ হিয়াৰ আমঠু, সূৰ্য্যকণ্ঠ জুবিন গাৰ্গৰ স্মৃতিত উৎসৰ্গিত কৰা হৈছিল। প্ৰাণৰ শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভণি কৰে সাধাৰণ জাতি সুৰক্ষা সন্মিলন-অসম, কেন্দ্ৰীয় সমিতিৰ সভাপতি ক্ষীৰোদ কুমাৰ বৰদলৈয়ে। তাৰ পাছতেই শিৱসাগৰৰ এগৰাকী প্ৰতিভাৱান ছাত্ৰ কপিল ৰাজ বৰদলৈক সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ তৰফৰ পৰা 'সমন্বয় প্ৰেৰণা সিন্ধু বঁটা' প্ৰদান কৰা হয়। বিশেষ নাট্যসন্ধ্যাটিৰ শুভ উদ্বোধন কৰে ডিমৌ সম-জিলা আয়ুক্ত মীনাক্ষী পাৰ্মেএ।

উল্লেখযোগ্য যে, 'ৰাজপথৰ বেশ্যা' নাটকখন সমাজৰ এক সংবেদনশীল আৰু অৱহেলিত দিশক উন্মোচন কৰা এক শক্তিশালী সামাজিক নাটক। নাটকখনৰ মূল বিষয় হৈছে ধনী শ্ৰেণীৰ শোষণ, প্ৰলোভন আনহাতে দুখীয়া শ্ৰেণীৰ যন্ত্ৰণা, তৰণা অসহায়তা। সমাজৰ দুমুখীয়া নৈতিকতা আৰু তথাকথিত সভ্য সমাজৰ মুখা। নাটকখনৰ কাহিনীৰ জৰিয়তে নাট্যকাৰে সমাজৰ নিষ্ঠুৰ বাস্তৱতা, নৈতিক অৱক্ষয় আৰু মানৱীয় সংবেদনশীলতাৰ অভাৱক স্পষ্টভাৱে দৰ্শকৰ আগত উপস্থাপন কৰিছে। প্ৰকৃততে সমাজখনক অসামাজিক কাৰ্যকলাপৰ দ্বাৰা বিপথে পৰিচালিত কৰা মুখাৰ আঁৰৰ সেই সকল যে ৰাজপথত বেশ্যা বৃত্তি কৰা সকলক সৃষ্টি কৰাকে আদি কৰি সেই সকলতকৈও যে বেছি বেশ্যা তাক স্পষ্টৰূপে দাঙি ধৰিছে। নাটখনে দৰ্শকৰ বিপুল সমাদৰ লাভ কৰা পৰিলক্ষিত হয়। নাটকখনত বিভিন্ন চৰিত্ৰত ধীৰাজ দত্ত, স্বপ্নালী কাকতি, পাৰ্থ প্ৰতিম শৰ্মা, ত্ৰিৱেণী কাকতি, প্ৰণৱ শৰ্মা, যদুমণি বৰা ৰাজখোৱা, হৰি হাজৰিকা, দীক্ষিত গগৈ, দেৱজানী ৰাজখোৱা, পাৰ্থ প্ৰতীম দাস, শ্যামল ৰাজগুৰু, ইমান হুছেইন, জিন্তু গগৈ, অমৃত কুমাৰ শৰ্মা, ভাৰ্গৱ জ্যোতি দাস, বিৰিঞ্চি বৰা, অৰিন্দম শৰ্মা, নয়নমণি দাস আৰু বৰ্নিল হাজৰিকাই অভিনয় কৰে। সকলো অভিনেতাই নিজৰ নিজৰ চৰিত্ৰক অত্যন্ত স্বাভাৱিক আৰু বিশ্বাসযোগ্যভাৱে উপস্থাপন কৰি



নাটকখন জীৱন্ত কৰি তুলিবলৈ সক্ষম হয়। বিশেষকৈ মুখ্য চৰিত্ৰসমূহৰ সংলাপ প্ৰক্ষেপণ আৰু আৱেগীয় অভিনয়ে দৰ্শকৰ মন স্পৰ্শ কৰে। নাটকখনৰ সংলাপসমূহ আছিল শক্তিশালী, বাস্তৱধৰ্মী আৰু সমাজৰ সত্য প্ৰতিফলন। সৰুকন নামৰ এজন খেতিয়কৰ মুখেৰে নিৰ্গত এটি অতি ব্যংগ আৰু বলিষ্ঠ সংলাপ 'নাপাই, নাপাই, ডাঙৰ মানুহৰ কথা তেনেকৈ ক'ব নাপাই, ডাঙৰ মানুহৰ কাৰণে মৰিব পৰাটোও ধৰ্ম। কিয় তই দেখা নাই, ৰজাক ডাঙৰ কৰিবলৈ গৈ কিমান সৈন্য মৃত্যু হয়, কিমান তিৰোতা বিধৱা হয়, কিমান সন্তান পিতৃহাৰা হয়' আদি অন্যতম সংলাপৰৰ যোগেদি সাধাৰণ লোকৰ সহজ সৰল মনটো প্ৰকাশ কৰাৰ লগতে শোষণ শ্ৰেণীৰ ফোপোলা স্বৰূপটো উদঙাই দিছে। সহজ ভাষাৰ মাজেৰে গভীৰ অৰ্থ প্ৰকাশ পাব পৰা সংলাপসমূহে নাটকখনক অধিক প্ৰভাৱশালী কৰি তোলে। নাটকখনৰ পৰিচালনা বিকাশ বৰদলৈয়ে অত্যন্ত দক্ষতাৰে সম্পন্ন কৰিছে। সহঃ পৰিচালক হিচাপে পাৰ্থ প্ৰতিম শৰ্মাৰ অৱদানো বিশেষভাৱে উল্লেখযোগ্য। দৃশ্যৰ সোঁতৰ গতি, চৰিত্ৰৰ স্থান নিৰ্ধাৰণ আৰু আৱেগীয় দৃশ্যসমূহৰ উপস্থাপন পৰিচালনাৰ সাফল্যক স্পষ্ট কৰি তোলে। নাটখনিৰ সামগ্ৰিক পৰিকল্পনা আৰু ব্যৱস্থাপনা অমৃত কুমাৰ শৰ্মাৰ দ্বাৰা সুচাৰুৰূপে সম্পন্ন হয়। পাপু চাহুৰ সংগীতে নাটকখনৰ আৱেগীয় পৰিৱেশ গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আনহাতে যতীন তালুকদাৰৰ পোহৰ ব্যৱস্থা আৰু বিকুল শইকীয়াৰ শব্দ ব্যৱস্থাই নাটকখনৰ নাটকীয়তা অধিক গভীৰ কৰি তোলে। সমগ্ৰ নাট্যসন্ধ্যাটিৰ ভিডিঅ' পৰিচালনাৰ দায়িত্বত আছিল ক্ৰমে আয়ান দত্ত, জিতু বৰুৱা আৰু কৌশিক চুতীয়া। নাটকখনৰ আটাইতকৈ শক্তিশালী দিশ হৈছে ইয়াৰ বিষয়বস্তু, অভিনয় আৰু পৰিচালনা। সমাজৰ বাস্তৱ ছবি সাহসেৰে উপস্থাপন কৰাটো নাটকখনৰ এক ডাঙৰ সফলতা। যদিও কিছুমান



দৃশ্য অলপ দীঘল অনুভৱ হৈছিল, তথাপিও ই নাটকখনৰ সামগ্ৰিক প্ৰভাৱত কোনো বিশেষ ব্যাঘাত সৃষ্টি কৰা নাই। কাৰণ এখন পেছাদাৰী নাটক অপেছাদাৰী নাট্যদলে মঞ্চস্থ কৰোঁতে কিছু অসুবিধাৰ হোৱাটো স্বাভাৱিক। কিন্তু পৰিচালকৰ দক্ষতা আৰু বলিষ্ঠ অভিনয়ে নাটকখনক এটা নতুন ৰূপত নতুন মাত্ৰা প্ৰদান কৰে। সামগ্ৰিকভাৱে 'ৰাজপথৰ বেশ্যা' নাটকখন এক চিন্তাশীল, সাহসী আৰু প্ৰভাৱশালী সামাজিক নাটক। ই দৰ্শকক কেৱল মনোৰঞ্জনেই নহয়, সমাজৰ বাস্তৱতা লৈ গভীৰভাৱে চিন্তা কৰিবলৈও বাধ্য কৰে। নাট্যকাৰ স্বৰ্গীয় শান্তনু বৰুৱাৰ এই কালজয়ী সৃষ্টি আৰু 'সমন্বয় সাংস্কৃতিক গোষ্ঠী'ৰ সফল মঞ্চায়নে শিৱসাগৰৰ নাট্য জগতত এক স্মৰণীয় অধ্যায় সংযোজন কৰিলে বুলি ক'ব পাৰি। শেষত সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ উপ-সভাপতি মানসী বৰা আৰু মুখ্য সমন্বয়ক পৰী শইকীয়াই সমূহ দৰ্শক, অভিনয় শিল্পী, কলা-কুশলীৰ লগতে শুভাকাংক্ষীসকলক কৃতজ্ঞতা শৰাই আগবঢ়ায়।

# নগাঁৱলৈ সৌন্দৰ্য চৰ্চাৰে গৌৰৱ কঢ়িয়ালে প্ৰতিভাবান ছাত্ৰী ফাৰ্হানা মিৰ্জাই




**জয়ন্ত মুদৈ, নগাঁও ঃ** ইংৰাজী নৱবৰ্ষৰ আৰম্ভণিতে নগাঁও জিলাবাসীয়ে লাভ কৰিলে এটি ভাল খবৰ। আচলতে, সৌন্দৰ্য চৰ্চাৰ জৰিয়তে জিলাখনলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে নগাঁও চহৰৰ কছলুখোৱাৰ এগৰাকী প্ৰতিভাৱান ছাত্ৰীয়ে। এই ছাত্ৰীগৰাকী হৈছে কছলুখোৱাৰ নিবাসী আতোৱাৰ হুছেইন আৰু পাৰবিনা বেগমৰ দুহিতা ফাৰ্হানা মিৰ্জা। জানিব পৰা মতে, দেশৰ আগশাৰীৰ সংস্থা 'স্পাৰ্ক'য়ে গুৱাহাটীত অনুষ্ঠিত কৰা 'মিছ ন'ৰ্থ-ইষ্ট ইণ্ডিয়া'ত অংশগ্ৰহণ কৰি ফাৰ্হানাই বিজয়ী হৈ এনেদৰে গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। সৰুৰে পৰা সৌন্দৰ্য চৰ্চাত নিজকে আত্মনিয়োগ কৰি ভাল পোৱা ফাৰ্হানাই শিৰত বিজয়ীৰ মুকুট লৈ নগাঁৱৰ স্বগৃহলৈ অহাৰ পাছতে আনন্দৰ জোৱাৰ উঠিছে জিলাখনত। ইয়াৰ পূৰ্বেও ফাৰ্হানাই ৰাজ্যৰ বাহিৰত আয়োজিত বহুকেইটা বিউটি কন্টেষ্টত অংশগ্ৰহণ কৰি বিজয় মুকুট পৰিধান কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ ভিতৰত ২০১৭ চনত 'মিছ ইণ্ডিয়া ফেশ্বন গ্ৰাম' আৰু ২০১৮ চনত 'মিছ আসাম'ৰ খিতাপ লাভ কৰাটো অন্যতম উল্লেখনীয়। এইবাৰ গুৱাহাটীত আয়োজিত এই প্ৰতিযোগিতাখনিত শতাধিক প্ৰতিযোগীৰ মাজৰ পৰা ফাৰ্হানাই নিজৰ প্ৰচেষ্টাৰে বিজয়ী হোৱাত ফাৰ্হানাৰ পিতৃ-মাতৃ তথা পৰিয়ালবৰ্গ এতিয়া আনন্দত আত্মহাৰা হৈ পৰিছে। উল্লেখ্য, মেধাৱী ছাত্ৰী ফাৰ্হানাই বৰ্তমান সৌন্দৰ্য চৰ্চা আৰু ফেশ্বন ডিজাইনিঙৰ সমান্তৰালভাৱে নিজৰ উচ্চশিক্ষাও সঠিকভাৱে আগুৱাই নিয়াৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। ইফালে, ফাৰ্হানা সোমবাৰে কছলুখোৱাৰ গৃহত উপস্থিত হোৱাৰ পাছতে নগাঁৱৰ কেইটাও অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি আৰু বহু ব্যক্তিয়ে ছাত্ৰী গৰাকীক সম্বৰ্ধনা জনোৱাৰ লগতে উজ্বল ভৱিষ্যতৰ কামনাৰে শুভেচ্ছা জ্ঞাপন কৰে।

# নগাঁও বিশ্ববিদ্যালয়ত আন্তঃবিশ্ববিদ্যালয়-মহাবিদ্যালয়-২০২৬ সংগীত প্ৰতিযোগিতাৰ আয়োজন

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংগীত বিভাগৰ উদ্যোগত অহা ২৪ জানুৱাৰী, ২০২৬ তাৰিখে আন্তঃবিশ্ববিদ্যালয়-মহাবিদ্যালয়ভিত্তিক এখনি সংগীত প্ৰতিযোগিতা আয়োজন কৰা হৈছে। এই বৰ্ষৰ বাবে প্ৰতিযোগিতাৰ বিষয় হিচাপে 'জুবিন সংগীত' নিৰ্বাচিত কৰা হৈছে। এখন বিশ্ববিদ্যালয় !মহাবিদ্যালয়ৰ পৰা এজন প্ৰতিযোগীয়েহে অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগীসকলক আয়োজক সমিতিৰ তৰফৰ পৰা তবলা, পেড, কীব'ৰ্ড আৰু Accoustic গীটাৰ বাদ্যযন্ত্ৰীসহ প্ৰদান কৰা হ'ব। ইচ্ছুক প্ৰতিযোগীয়ে নিজাববীয়াকৈ বাদ্যযন্ত্ৰ আৰু বাদ্যযন্ত্ৰী আনিব পাৰিব। উক্ত চাৰিটা বাদ্যযন্ত্ৰৰ বাহিৰে আন কোনো বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰিব নোৱাৰিব। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে প্ৰতিযোগীসকলে শিক্ষানুষ্ঠানৰ মুৰব্বীৰ পৰা অনা প্ৰমাণ-পত্ৰ জমা দিব লাগিব। প্ৰতিযোগীসকলে আয়োজক সমিতিয়ে নিৰ্বাচিত কৰি দিয়া গীতহে পৰিৱেশন কৰিব পাৰিব। প্ৰতিযোগিতাত গীতৰ স্থায়ী আৰু প্ৰথম অন্তৰাটোহে পৰিৱেশন কৰাৰ সুযোগ পাব। প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ এনেধৰণৰ- প্ৰথম পুৰস্কাৰ ৩৩,৩৩৩.০০ টকা, মান পত্ৰ আৰু ট্ৰফী; দ্বিতীয় পুৰস্কাৰ ২২,২২২.০০ টকা, মান পত্ৰ আৰু ট্ৰফী; তৃতীয় পুৰস্কাৰ ১১,১১১.০০ টকা, মান পত্ৰ আৰু ট্ৰফী। লগতে চতুৰ্থ আৰু পঞ্চম স্থানৰ প্ৰতিযোগীক বিচাৰকৰ বিশেষ বঁটা হিচাপে ৫,৫৫৫.০০ টকা আৰু মান পত্ৰ প্ৰদান কৰা হ'ব। প্ৰতিযোগীসকলক যাতায়ত আৰু থকাৰ সুবিধা প্ৰদান কৰা নহ'ব। প্ৰতিযোগীসকলে অহা ২০ জানুৱাৰীৰ ভিতৰত ৯৮৬৪৭৯০২৯৯, ৬০০১১৯১৭৩৭ নম্বৰত Whatsahp যোগে অংশগ্ৰহণ নিশ্চিত কৰিব লাগিব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিছে। ২৪ জানুৱাৰী তাৰিখে পুৱা ৯.০০ বজাৰ পৰা প্ৰতিযোগিতা আৰম্ভ হ'ব। বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত বুলি বিবেচিত হ'ব।

## প্ৰেম অতি সুন্দৰ বস্তু.. যদি সঠিক ব্যক্তিৰ সৈতে হয়

**চিমী বৰুৱা,** চৰাইবাঁহী

প্ৰেম সঁচাকৈয়ে বৰ আচৰিত, নহয়নে?
এক অবুজ অথচ এক অনন্য সুন্দৰ অনুভৱ।
ইয়াৰ কোনো সংজ্ঞা নাই, নাই কোনো ধাৰিত গতি,
মাথোঁ আছে এক গভীৰ প্ৰশান্তি।
কেতিয়াবা এনেকুৱা লাগে-
প্ৰেম মানে কেৱল কাষত থকাটোৱেই নহয়,
প্ৰেম মানে হ'ল কাৰোবাৰ উপস্থিতিত নিজকে বিচাৰি পোৱা।
যেতিয়া সঠিক মানুহজনৰ সৈতে কথা পাতো,
চকুৰ পলকতে যেন সময়বোৰ থমকি ৰয়,
আৰু চাৰিওফালৰ পৃথিৱীখন হঠাতে পোহৰ হৈ পৰে।
সঠিক মানুহজনৰ সৈতে হ'লে,
মৌনতাবোৰো আমনিদায়ক নহয়, বৰঞ্চ আপোন যেন লাগে।
হৃদয়ৰ ধপধপনিবোৰে এক সুৰ বিচাৰি পায়,
আৰু প্ৰতিটো উশাহতে যেন এক নতুন বিশ্বাসে জন্ম লয়।
সঁচাকৈ, সঠিক এজন সংগীয়ে
জীৱনৰ কঠিন বাটবোৰকো সহজ কৰি তোলে।
সেই অনুভৱটোৱেই যেন আটাইতকৈ ডাঙৰ আশীৰ্বাদ-
য'ত কোনো অভিনয় নাই,
মাথোঁ আছে এজাক নিৰ্ভেজাল মৰম আৰু এক বুজাবুজিৰ পৃথিৱী।

**ম'বাইল:** ৭০৯৯৭-৪৭৬৪৩

## মনস্তাত্বিক

**হেৰম্ব নাথ**

এটা মাছ, সাঁতুৰি আছে সাগৰত
পানীয়েই তাৰ জীৱন
অহংকাৰত বলীয়া হৈ পৰিছে
যেন সাগৰখনেই তাৰ নিজৰ
তাৰ সংস্পৰ্শলৈ আহিছিলনে অন্য মাছ?
যদি নাই সি অহংকাৰী হ'বই

এদিন মাছমৰীয়াই ধৰি আনিলে মাছটো
সি তাৰ পুখুৰীত জীয়ালে
তথাপি তাৰ অহংকাৰ আঁতৰি নগ'ল
কিয়নো, পুখুৰীটোত সি অকলেই ৰাজত্ব কৰিছিল।

মন গ'লেই খাব পাৰে পেট ভৰাই
মাছমৰীয়াজনে প্ৰতিদিনে খাবলৈ দিয়ে
দামী দামী খাদ্য।

লাহে লাহে সি ভাবিবলৈ ধৰিলে
যদি মোৰ এজন সংগ থাকিলেহেঁতেন।
বহু থাকিও যেন একো নাই তাৰ
মাছমৰীয়াজন তাৰ বাবে কৃত্ৰিম
জীয়াই থাকিও মৃত সি
সি কদাপি নহয় মানসিকভাৱে ঐশ্বৰ্যশালী
প্ৰকৃতাৰ্থত, অহংকাৰৰ আছেনে কিবা অৰ্থ?

**ম'বাইল:** ৭০০২৭-৯৭৫৪০

## তাকৰীয়া চোতালত মৰমৰ ফুল

**সংগীতা ডেকা,** ৰঙিয়া

যান্ত্ৰৱৎ পথে পথে
সজীৱ উশাহৰ মৌন গতি...
মৌন যদিও, শব্দৰ অযুত কোৰ্হাল
শুনি নোপোৱা, কিন্তু বধিৰ নহয়...
ক'ব বিচৰা, অলেখ ৰাতিৰ কাহিনী
অ-শব্দৰ কায়াত
অগণিত শব্দাল শৰীৰ...
তাকৰীয়া চোতালত মৰমৰ ফুল
সুবাস কেনেকৈনো বিয়পিব চৌপাশে?
নিজৰ শিপা আৰু ছায়াৰ বাহিৰে যে
মৰম স্নেহ, দুটি মধুৰ শব্দহে মাথোঁ।

**ম'বাইল:** ৯১০১০-১১৮৬৫

## নিমন্ত্ৰণ

**ৰাজেন শৰ্মা**
মনাহকুছি, কামৰূপ

দুহেজাৰ ছাব্বিশ তোমাক জনালো নিমন্ত্ৰণ
তুমি আহিবা ধীৰে ধীৰে
প্ৰকৃতিৰ নিয়ম মানি
বৰচোতালৰ মাজেৰে আহিবা
শীতৰ ঠেঁটুৰৈৰ মাজত ভৰাই আনিবা
শীতল মন-মগজুৰ আশাৰ নতুন দীপ;
পঁচিশৰ কালৰাত্ৰি নানিবা লগত
হত্যা-হিংসা বিয়পাৰ মানুহৰ মাজত
ভ্ৰমণলৈ গ'লে সিন্দুৰ মচা যোৱা
নালাগে আমাক তেনেকুৱা সময়,
সন্মান দিবলৈ মাতিনি সংগীতৰ
মহানআত্মা জুবিনৰ প্ৰাণ ল'লে
চক্ৰান্তকৰি চিংগাপুৰৰ সাগৰত
অভিশপ্ত হ'ল ঊনৈশ চেপ্তেম্বৰ
নালাগে আৰু সেইদিন মৰতত;
হত্যাকাৰীৰ উচিত শাস্তি হওক
জ্ঞানৰ পোহৰ ছাব্বিশ তোমাৰ মজিয়াত,
ছাব্বিশ তোমাৰ উৎসৱত
গালে-মুখে সানিবা হেঙুলী ৰহণ
মান-সন্মানক কৰিবা বৰণ
হত্যা-হিংসা-ধৰ্ষণ নানিবা লগত
নিৰ্ভয় নতুন সমাজ হওক
তোমাৰ ছত্ৰছায়াত;
ছাব্বিশ আৰু এটা কথা
প্ৰকৃতি ধ্বংসকাৰীক দিবা সুমতি
'গছ থাকিলেহে জীৱ থাকিব'
তোমাৰ বাৰ কাঠিৰে দিবা সোঁৱৰাই
আমিও পণ কৰিছো যাম আগুৱাই,
ছাব্বিশ তোমাক জনালো নিমন্ত্ৰণ
পঁচিশৰ আবৰ্জনা কৰা নিষ্কাষণ।



## গ্ৰন্থমেলাৰ প্ৰেক্ষাগৃহত বহি

■ **ড° জিন্টুমনি বৰা**

প্ৰথমতে মানে আৰম্ভণিতে
ভাবিছিলো মোৰ সাহিত্য প্ৰতিভা কবিতা লিখিব পৰাতকৈ বেছি,
মানে কেৱল কবি হ'লেই মই সন্তুষ্ট নহ'ম।
লগে লগে চলিল গদ্যৰ সাধনা
প্ৰিয় লেখক হোমেন বৰগোহাঞিঃ
গুৱাহাটীলৈ আহিলো
তেলিয়াচুকৰ পৰা
উদ্দেশ্য লেখক হোৱা
গুৱাহাটীত বিভিন্ন কৰ্ম,
পঢ়া-শুনা
সাহিত্যৰ লগে লগে আৰু
সাহিত্যৰ পৰা দূৰে দূৰে
এই দৰে আগবাঢ়িল জীৱন
অভাৱৰ লগে লগে
টকা পইচাৰ পিছে পিছে
ভাবি ৰ'লো
সাহিত্যিক হোৱাৰ সপোনৰ কথা
সাহিত্যৰ জগতত
প্ৰৱেশৰ বাট বিচাৰি ফুৰোঁতেই
পাৰ হ'ল দিন ৰাতি
বহুবোৰ দুৱাৰ বন্ধ হৈয়েই ৰ'ল
অনুৎসাহত জানো ৰচিব পাৰি
উৎকৃষ্ট গ্ৰন্থ?
গ্ৰন্থমেলাৰ প্ৰেক্ষাগৃত শেষৰ ফালে বহি ভাবি ৰ'লে
মই থাকিব খুজিছিলো ক'ত
আৰু এতিয়া আছে ক'ত।
হয়তো এই দিন এদিন সলনি হ'ব
সেইবাবে সদায়ে আশাৰে
আগুৱাই যাওঁ।

## স্বাগতম নৱবৰ্ষ

**যমুনা দুলু বৈশ্য**
শুৱালকুছি

টক্ টক্ টক্ আকৌ টুকুৰিয়াছে
হিয়াৰে কোণত
এয়া সময়ৰ আহ্বান
নৱবৰ্ষ আহিছে সময়ে আনিব
কি পালো, কি হেৰুৱালো
হিচাপৰ তালিকা নিৰূপণ কৰা
ভাবা এবাৰ নিজৰ মাজত
আশাৰ টোপোলা লৈ আহে
বহু হেঁপাহেৰে, এৰা আশাই জীৱন,
এয়া সময়ৰে আকুল আহ্বান
সময়ৰ স'তে অহা অশান্তিৰে থিতাপি লোৱা
দুখবোৰক নেওচি বিলুপ্তি কৰিবৰে হ'ল
সুখবোৰ পাবলৈ মনৰ সন্তুষ্টিৰে
এখোজ আগলৈ দিবলেহে খোজ
আশালৈয়ে জীয়াবলৈ শিকো আহা
কল্পনাৰ কাৰেং ভাবি নতুনত্বক লওঁ
নিস্বাৰ্থভাৱে ভালপাওঁ জনজীৱনক,
প্ৰকৃতিৰ মনমোহা অনুভৱী শব্দৰ
এখন স্বচ্ছ দাপোণৰে মনৰ অনুভূতিবোৰ
ডায়েৰীৰ পৃষ্ঠাত ৰং দি ভাল চিন্তাৰে
আঁকোৱালি লৈ পৃথিৱীক ভালপোৱা
মই জনীয়ে নিঃসংকোচে জনালোঁ
স্বাগতম নৱবৰ্ষ।

## নামেৰী ৰাষ্ট্ৰীয় উদ্যান

**পাৰ্শ্ব জ্যোতি ভাগৱতী**

নামেৰী হৃদয়ত সেউজীয়া আঁচল,
প্ৰকৃতিৰ মাজত সপোনৰ বঁটা।
কামেং নদীৰ সু-মধুৰ সুৰত,
বনৰীয়া জীৱই গঢ়ে জীৱনৰ কথা।

পাখিৰ গানত মগ্ন বন,
জীৱনৰ ৰঙীন সুৰ,
চৰাইৰ শব্দ, হাতীৰ সাঁচ,
নাই প্ৰকৃতিত কেতিয়াও দূৰ।
কামেঙ নদীৰ মিঠা সুৰধ্বনিয়ে,
জীৱনক জীপাল কৰে।
নদীৰ বালিত, সেউজ বনত,
প্ৰকৃতিৰ হিয়াৰ গাথা বয়।
নামেৰীৰ বন, অসমৰ গৰ্ভিত অহং,
সেউজ পাতৰ শোভত পিন্ধে জীৱন।
আহা, হে সহযাত্ৰী, অনুভৱ কৰা,
প্ৰকৃতিৰ হৃদয়ত জ্বলি থকা চন্দন।

## প্ৰকৃত বন্ধু

**দীপশিখা বৰা**
কাৰ্বি-আংলং

প্ৰকৃত বন্ধুৱে পৃথিৱীখন
সলনি কৰি দিব পাৰে।
ভালৰ দিনত ইজনে-সিজনক
উৎসাহ দি ভাল দিশত আগুৱাই নিয়ে।
প্ৰকৃত বন্ধুৱে ইজনে-সিজনৰ
সুখে-দুখে, বিপদে-আপদে
সকলো সময়ত ঠিয় দিয়ে।
যিকোনো পৰিস্থিতিত
সংগ দি বন্ধুৰ সমভাগী হয়।
প্ৰকৃত বন্ধুৱে আনজন বন্ধুৰ
চিন্তিত কিঞ্চিৎ হ'লেও চিন্তাশূন্য
কৰি তুলিব পাৰে।
নিজৰ স্বাৰ্থ কথা নাভাবি
ত্যাগৰ জৰিয়তে প্ৰকৃত বন্ধুৰ
পৰিচয় দিয়ে।
প্ৰকৃত বন্ধুৱে জাতি-ধৰ্ম
ভেদাভেদ নাৰাখে।
উচ্চ-নীচ সকলোকে সমদৃষ্টিৰে চাই।
যিজন প্ৰকৃত বন্ধু তেওঁ
আজীৱন সাৰথি হৈ ৰ'য়।
বন্ধুত্ব এক মধুৰ সম্পৰ্ক।
বিশ্বাসৰ এনাজৰী
য'ত বিচাৰি পোৱা যায় শান্তিৰ অৱনী।

**ম'বাইল:** ৮০১১৭-১২৩৮৩

## মোৰ নিৰুদ্দেশৰ খবৰ

**কৰবী দত্ত,** শিক্ষয়িত্ৰী

সমাগমে ঢুকি নোপোৱা একাকীত্বই
নিশাবোৰ চেপি চেপি
কঙাল কৰিছে মোৰ প্ৰতিটো সূৰ্যোদয়ৰ উৎসৱ।

মই মোক ক'ত বিচাৰি পাম?
ৰ'দমুৱা হাঁহিবোৰত,
বৰষুণত তিতা কোনোবাটো উদাস সন্ধিয়াত,
ভাটীবেলাৰ পথিকৰ শুকান চকুবোৰত,
মোৰ নিষিদ্ধ ডায়েৰীৰ
দৈনন্দিন আঁক-বাক পৃষ্ঠাবোৰত-
নে সদ্যবিধবা গাভৰুৰ ৰঙা ফোঁটটোৰ বিদ্ৰোহত?

মই যে মোক হেৰুৱাই আহিলোঁ ক'ৰবাত
য'ত মোৰ হেৰুৱাৰ কোনো স্বত্ব নাছিল।
ঠিক সজাৰ চৰাইটোৰ দৰে,
যি ক্ৰমে পাহৰি পেলাইছে আকাশৰ ঠিকনা;
কাষ চাপিব খুজিও
ক্ৰমশঃ মই মোৰ পৰা আঁতৰি আহিছো।

আইনাৰ ঘৰৰ ৰঙীন কংক্ৰিটত
বাধ্যবাধকতাৰে উশাহ সলোৱা
নিৰ্দোষী মাছকেইটাৰ দৰে-
বাধ্যবাধকতাৰ শিকলিয়ে ধৰি ধৰি
এতিয়া মোক খোজ কঢ়ায়
স্বাৰ্থপৰ মানুহৰ পৃথিৱীত।

এতিয়া সেই নিৰ্দোষী হাঁহিবোৰে মোক কটাক্ষ কৰে,
যিবোৰৰ গৰাকী এদিন ময়ো আছিলোঁ।

**ম'বাইল:** ৮১৩৫৯-৭৬২৮৮

## স্মৰণীয় দিন

**শামনুৰ আলম**

দিনটোৰ বুকুত এক আৰক্ত আঁচ,
পুৰণি পৃথিৱী জাহ গ'ল, ভাঙিল কাচ।
ভগা টুকুৰা আৰু তিতা ভাগ্যৰ পৰা,
জ্বলি উঠিল জুই, সৃষ্টি হ'ল নতুন ধৰা।

যি ঘটি গ'ল সেয়া শিলৰ ৰেখা,
অতীত মৰিল, সিঁচিলোঁ আশাৰ পোখা।
ছাঁটোক কোনেও পিছুৱাই নিব নোৱাৰে,
নিয়তিৰ ৰে'ল এতিয়া নিজৰ পথেৰে।
গভীৰ নিদ্ৰাৰ পৰা জাগিছে এক প্ৰকাণ্ড কায়া
আৰু মৌনতা নাথাকে, নাথাকে নিদ্ৰাৰ মায়া।
অন্তৰস্থ যন্ত্ৰণাৰ পৰা জন্ম ল'লে এক নতুন জীৱিকা
উচ্চ শিখৰলৈ ধাৱিত এক মহৎ ভূমিকা।
সাৰ পাই সি আকাশখন নিজৰ কৰি ল'ব,
পৃথিৱী কঁপাই এক অমৰ ইতিহাস হ'ব।

## আকাল

**প্ৰভাত বণিয়া**

মৰিশালিৰ নিশব্দতাত স্তব্ধ জীৱন-যৌৱন,
অবিৰত ধ্বংসৰ দাবানল
অস্থিৰ মন মগজু, পৃথিৱী
নৈ নাই বতাহ নাই সেউজীয়া নাই
লুকাই লুকাই কান্দে আতুৰ পথিক
বাট হেৰুৱাই হুমুনিয়াহ কাঢ়ে
জাকৈয়া গাভৰুৰ জাক
কিনো দিন পৰিল
নেপাওঁছোন বিচাৰি
পানীতোলাৰ ঘাট
নেদেখোঁ মাছ পুঠিৰ উজান
হৰিল নৈপৰীয়া মানুহৰ এযাৰি সাদৰী মাত
হৃদয়বোৰ শিল হ'ল
অ' দূৰণিৰ সাউদ সদৰি কৰো কেনেকৈনো দুখৰ কথা
মহঙা আজি মঙলবৰীয়া হাট
ঘাট নাই বাট নাই বতৰো আজি গোমা
যাগৈ যা ভটিয়াই নাবান্ধিবি তোৰ
বণিজৰ নাও।

**ম'বাইল:** ৭০৮৬৬-৫১৩২১

*প্ৰথম পৃষ্ঠাৰ পৰা*

## শিৱসাগৰত পোনপ্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় মে-ডাম-মে

দিনটোৰ ১২ বজাত ইতিহাস সম্পৰ্কে অনুষ্ঠিত হ'বলগীয়া কুইজ প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ হিচাপে ক্ৰমে ১০,০০০, ৭০০০, ৫০০০ টকা পুৰস্কাৰ ধাৰ্য্য কৰা হৈছে। বিয়লি চাৰি বজাত ষ্টিকাৰষ্টৰ্ম দলৰ তত্বাৱধানত ষ্টাৰ্ট আপ আৰু উদ্যোগী সভা অনুষ্ঠিত হ'ব। অসম অলিম্পিক সংস্থাৰ তত্বাৱধানত ৩১ জানুৱাৰী তাৰিখে ৰাষ্ট্ৰীয় পৰ্যায়ত যোৰহাট হোলোঙাপাৰৰ পৰা শিৱসাগৰ দৌলমুখ চাৰিআলিলৈকে অনুষ্ঠিত হ'বলগীয়া মাৰাথান দৌৰৰ বিজয়ীগৰাকীক এক লাখ, দ্বিতীয় আৰু তৃতীয় গৰাকীক ক্ৰমে পঞ্চাছ আৰু পশ্চিছ হাজাৰ টকা প্ৰদান কৰা হ'ব। চতুৰ্থৰ পৰা অষ্টম স্থানলৈকে দহ হাজাৰ টকাকৈ সান্ত্বনা পুৰস্কাৰ প্ৰদান কৰা হ'ব। আন্তঃৰাষ্ট্ৰীয় মে-ডাম-মে-ফিত অসম চৰকাৰৰ বহুকেইজন কেবিনেট মন্ত্ৰীৰ উপৰিও কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু পবিত্ৰ মাৰ্ঘেৰিটাই অংশগ্ৰহণ কৰিব। আয়োজক সমিতিয়ে জনোৱা মতে কৃষিমন্ত্ৰী অতুল বৰাৰ উপৰিও মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। ইয়াৰ উপৰিও থাইলেণ্ড আৰু লাউচৰ প্ৰতিনিধি, শিক্ষামন্ত্ৰী ড° ৰণোজ পেগু, কেবিনেট মন্ত্ৰী যোগেন মহন, বিধায়ক সুশান্ত বৰগোঁহাই, বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, অসম উদ্যোগিক নিগম পৰিষদৰ অধ্যক্ষ তপন গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণ জ্যোতি গগৈ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি পলাশ চাংমাই, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বৰা, সদৌ চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি মহেন বৰা, সদৌ চাহ জনগোষ্ঠী ছাত্ৰ সন্থাৰ সভাপতি জগদীশ বৰাইক, সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকন, সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ সম্পাদক বলোৰাম বৰ্মন, সদৌ তাই আহোম ছাত্ৰ সন্থাৰ যুটীয়া সাধাৰণ সম্পাদক দিগন্ত চাংমাই, সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলনৰ সম্পাদক স্বৰূপ গোহাঁই, বি বি চি এছিয়া পেচিফিক এডিটৰিয়েল লীড শশীন গগৈ, নাহৰকটীয়া সমষ্টিৰ বিধায়ক তৰংগ গগৈ, শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈ তিনিদিনীয়া মে-ডাম-মে-ফি অনুষ্ঠানত সময় দিয়া অনুসৰি অংশগ্ৰহণ কৰিব। ৩১ জানুৱাৰী তাৰিখে নিশা ৮ বজাত অনুষ্ঠিত হ'বলগীয়া 'সাঁচিপাতৰ পুথিৰ পৰা মই গমধৰ কোঁৱৰে কৈছোঁ' শীৰ্ষক নাটক উদ্বোধন কৰিব গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তয়ে।

## বিশ্বৰ গদ্য সাহিত্যৰ জনক বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্যৰ

চন্দ্ৰ ৰয় আদি দেশৰ পুৰোধা পুৰুষসকলেও বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্যৰ সৃষ্টি গদ্য সাহিত্যক ভাৰতীয় সাহিত্য জগতৰ অমৰ সৃষ্টি বুলি একেমুখে স্বীকাৰ কৰি গৈছে। এইজনা অসম সন্তানক বিশ্ব দৰবাৰলৈ উলিয়াই নিয়াৰ সাম্প্ৰতিক সময়ত জৰুৰী প্ৰয়োজনীয়তা আহি পৰিছে।

সাহিত্যৰ দুই প্ৰধান ধাৰা - পদ্য সাহিত্য আৰু গদ্য সাহিত্যৰ ভিতৰত গদ্য সাহিত্যৰ এখন সুকীয়া আসন আছে বুলি কৈ পদ্য সাহিত্যত কৈ গদ্য সাহিত্যৰ জন্ম বহু পিছত যদিও, পদ্য সাহিত্যতকৈ গদ্য সাহিত্যৰ পাঠকক প্ৰভাৱিত কৰিব পৰা গুণ বেছি। কিয়নো সৰ্বসাধাৰণৰ কথা ৰূপটোৰ মাধ্যমত মানুহে সদায়ে যিকোনো কঠিন বিষয়বস্তুকো হৃদয়ঙ্গম কৰিবলৈ সহজ অনুভৱ কৰে। এনে এক উদ্দেশ্য আগত ৰাখিয়ে হয়তো কথাশিল্পী ভট্টদেৱেও পূৰ্ব প্ৰচলিত তথা পৰম্পৰাগত পদ্য-ৰীতিক পৰিহাৰ কৰি অত্যন্ত সাহসিকতাৰে গদ্য সাহিত্যৰ সৃষ্টিত হাত দিছিল। অৱশ্যে এই ক্ষেত্ৰত তেওঁৰ গুৰু দামোদৰদেৱৰ আজ্ঞাক স্বীকাৰ কৰিবই লাগিব, গুৰুৰ আজ্ঞাকে সাৰোগত কৰি ভট্টদেৱে গদ্য সৃষ্টিৰ বাবে কাপ-মৈলাম হাতত লৈছিল। ভট্টদেৱৰ গদ্যধৰ্মী সাহিত্যৰাজি - 'কথা-ভাগৱত', 'কথা-গীতা' আৰু 'কথা-ৰত্নাৱলী'ৰ ভিতৰত 'কথা-ভাগৱত' প্ৰাৰম্ভিক ৰচনা। অৱশ্যে কথা-গীতাৰহে কথা ৰীতি অতি সৰল আৰু ঘৰুৱা কথাৰ বেছি ওচৰ চপা। তেওঁ কথা-গীতাৰ দৰে এখন তত্ত্ব গধুৰ পদ্য-শাস্ত্ৰক গদ্যৰ মাধ্যমত পোনপ্ৰথমবাৰৰ বাবে ৰচনা কৰি অসমীয়া গদ্য সাহিত্য সৃষ্টিৰ সোপান ৰচনাত যি অৰিহণা দি গ'ল সি সদায়ে স্মৰণযোগ্য। ভট্টদেৱে গদ্য-ৰচনাত হাত দিয়াৰ পূৰ্ববৰ্তী সময়ছোৱাত শংকৰদেৱে অংকীয়া নাটৰ সূত্ৰধাৰৰ ৰচনাৰ মাজেদি সাহিত্যিক গদ্যৰ শুভাৰম্ভণি কৰাৰ এটা প্ৰচেষ্টা চলাইছিল। অৱশ্যে সেই গদ্যই লয়ৰ সমাৱেশৰ বাবে প্ৰকৃত তথা বিশুদ্ধ গদ্যৰ মৰ্যাদা লাভ কৰিব নোৱাৰিলে। ভট্টদেৱৰ হাততহে অসমীয়া গদ্য সাহিত্যই প্ৰতিষ্ঠা লাভ কৰে, সেয়ে ক'ব পাৰি ভট্টদেৱ অসমীয়া গদ্য-সাহিত্যৰ জনক। অসমীয়া গদ্য সাহিত্যৰ জনক ভট্টদেৱৰ প্ৰকৃত নাম আছিল বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য। তেখেতৰ জন্ম হৈছিল প্ৰাচীন কামৰূপ জিলাৰ ভেৰাগাঁৱত। তেখেতৰ পিতৃৰ নাম আছিল সাঁচঃকবি সৰস্বতী আৰু মাতৃৰ নাম তাৰা দেৱী। ভট্টদেৱৰ পিতৃ প্ৰদত্ত নাম বৈকুণ্ঠনাথ। 'ভট্টদেৱ'কে প্ৰমুখ্য কৰি 'কবিৰত্ন' তথা 'ভাগৱত ভট্টাচাৰ্য' তেওঁৰ উপাধি মাত্ৰ। মহাপুৰুষ শ্ৰীশ্ৰী বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্য দেৱক ভাগৱত কাব্যশাস্ত্ৰত অগাধ পাণ্ডিত্যৰ বাবে 'ভট্টদেৱ' উপাধি প্ৰদান কৰিছিল বুলি কয়। ভট্টদেৱৰ কথাগীতা, কথাভাগৱত আৰু ভক্তি ৰত্নাৱলী অসমীয়া গদ্য সাহিত্যৰ এক সুকীয়া কীৰ্তিস্তম্ভ। এই গৰাকী বিদগ্ধ পণ্ডিত তথা সাহিত্যিক ভট্টদেৱৰ পাণ্ডিত্য তথা বুদ্ধিমত্তা আৰু প্ৰতিভাৰ বিষয়ে যদি আমি বিশ্লেষণ কৰো তেনেহ'লে নিঃসন্দেহে ক'ব পাৰিম যে অসমীয়া গদ্য সাহিত্যৰ সৃষ্টিত ভট্টদেৱৰ অনুপ্ৰেৰণা যন্ত্ৰ তথা যন্ত্ৰী সকলো আছিল তেওঁৰ অতি সন্মান আৰু শ্ৰদ্ধাৰ গুৰু দেৱদামোদৰ। তেওঁৰ অকৃত্ৰিম গুৰু ভক্তিয়েই এই সকলো কৰ্মৰ মূল উৎস। ভাৰতৰ গদ্য সাহিত্যৰ জনক মহাপুৰুষ কবিৰত্ব শ্ৰীশ্ৰী বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্যৰ (ভট্টদৱে)ৰ ৰচনা কৰা কথা ভাগৱত, কথাগীতা আৰু ৰত্নাৱলীয়েও ভট্টদেৱৰ পাণ্ডিত্যৰে পৰিচয়। তিনিওখন গ্ৰন্থৰে ভাষা অধিক সাৱলীল আৰু স্বাভাৱিক আছিল, কথাগীতাখনৰ গদ্য শৈলী আধুনিকতা মুখ্য বুলিও পণ্ডিতসকলে মতপোষণ কৰিছে। যি সময়ত আমাৰ ভাৰতবৰ্ষৰ অন্যান্য প্ৰাদেশিক ভাষাত গদ্য সাহিত্যৰ কোনো গ্ৰন্থ ৰচনা হোৱা নাছিল ঠিক সেই সময়ছোৱাতেই আমাৰ অসম দেশত ভাষা সাহিত্যৰ উন্নতিকল্পে এই গৰাকী প্ৰথিতযশা পণ্ডিত সাহিত্যিক তথা স্বনামধন্য কৰা বিদগ্ধ পুৰুষ ভট্টদেৱে সংস্কৃত ভাষাৰ পৰা অসমীয়া সাহিত্য জগতখনলৈ বহুতো ৰছনা সম্ভাৰ আমাৰ অসমীয়াসকলৰ হাতত তুলি দিছে। ই আমাৰ বাবে কম সৌভাগ্য নহয়। **ম'বাইল ঃ** ৯৭০৬০-৬৪৪৪৫

## নগাঁৱৰ ৰাঙলু আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ফিৰদৌছ আহমেদৰ গুৰুত্বপূৰ্ণ ভূমিকা

**বিশেষ সংবাদদাতা, নগাঁও ঃ** ইংৰাজী নৱবৰ্ষত সহকৰ্মী আৰক্ষী সকলক উৎসাহিত কৰাৰ বাবে ফুলাম গামোচাৰে শুভেচ্ছা প্ৰদান। সন্ধিয়া ৭ বজাত ৰাঙলু অঞ্চলৰ প্ৰায় যাঠি গৰাকী শুভচিন্তক আৰক্ষী পহৰা চকীলৈ নিমন্ত্ৰণ জনায় অঞ্চলৰ পৰা নিচা জাতীয় দ্ৰব্য আৰু অসামাজিক সকলো কাৰ্যকলাপ ৰোধ কৰাৰ বাবে আলোচনা কৰা হয়। ভাৰপ্ৰাপ্ত বিষয়া ফিৰদৌছ আহমেদৰ লগত সংগ দি সকলো কৰ্মতে সহায় কৰা সহকৰ্মী আৰক্ষী সকলক এখনকৈ ফুলাম গামোচা প্ৰদান কৰি তেওঁলোকৰ মনোবল বৃদ্ধি কৰাৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা বুলি জনায়। ৰাঙলু হাইস্কুলৰ প্ৰধান শিক্ষক ৰুস্তম আলীয়ে কয় যে ৰাঙলু আৰক্ষী পহৰা চকীলৈ বিষয়া হৈ অহাৰ পাছতে অঞ্চলটোৰ সকলো সমাজ কৰ্মীৰ লগতে আলোচনা কৰি সজাগতা সভা পাতি আৰু বিভিন্ন সময়ত কাৰ্যব্যৱস্থা হাতত লোৱা বাবে ৰাঙলুত বহু পৰিমাণে গুটখা, বাল্যবিবাহ, চুৰি কাৰ্য আৰু বহু অসামাজিক কাৰ্যকলাপ ৰোধ হৈছে। কঠীয়াতলী প্ৰেছ ক্লাবৰ সভাপতি তথা সমাজ সেৱক ঘনকান্ত বৰাই ফিৰদৌছ আহমেদৰ কৰ্মদক্ষতা আৰু সমাজৰ ভাল কাম কৰাৰ বাবে প্ৰশংসা কৰে। সমাজখন নিকা কৰিবলৈ কৰা চেষ্টাক এচাম স্বাৰ্থান্বেষী লোকে কুৎসা ৰটনা কৰাও আৰম্ভ কৰা বুলি ঘনকান্ত বৰাই। কোনোৱে ক'ব বিচাৰে যে ফিৰদৌছ আহমেদৰ এইয়া এটা কৌশল হে মাথোঁ। তেওঁ ভাল কাম কৰা দেখুৱাই ৰাইজৰ আস্থাভাজন হৈ পিছ দুৱাৰেদি ধন ঘটাৰ হে কৌশল ৰচনা কৰে। কঠীয়াতলী সমবায় সমিতিৰ সভাপতি মানিক মজুমদাৰেও বিষয়া গৰাকীৰ কৰ্মনিষ্ঠাক প্ৰশংসা কৰে। উপস্থিত থকা সকলো ৰাইজে বিষয়াজনৰ কৰ্মক সমৰ্থন জনাই উৎসাহিত কৰে। নিশা প্ৰচণ্ড শীতকো নেওচি ৰাঙলুৰ কৈল্যাণকামীসকলে ৰাঙলু অঞ্চলক নিচামুক্ত, বাল্যবিবাহ, চুৰ ডকাইত আৰু প্ৰবঞ্চকৰ পৰা মুক্ত কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হয়। শীতৰ মাজতে অঞ্চলৰ এজন সুকণ্ঠী গায়ক অধ্যাপক হবিবুৰ ৰহমানে অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ দুটি মনপৰশা গীত পৰিৱেশন কৰি সকলোৰে মনৰ পৰা শীত আঁতৰাই।

## ছিজিজি থিয়েটাৰৰ বাৰ্ষিক 'কলা উৎসৱ ২০২৬'




**গুৱাহাটী ঃ** ৪ জানুৱাৰী, ২০২৬ তাৰিখে বৰবাৰী আক্লান ক্লাবৰত এদিনীয়া কাৰ্যসূচীৰে ছিজিজি থিয়েটাৰৰ বাৰ্ষিক কলা উৎসৱৰ আয়োজন হৈ যায়। ছিজিজি থিয়েটাৰে এই বাৰ্ষিক উৎসৱটোৰ লগত সংগতি ৰাখি, শিশু সকলৰ মাজত লুকাই থকা প্ৰতিভাক বিকাশ কৰাৰ বাবে এখন মঞ্চ প্ৰদান কৰিছিল। সভাত অসম পৰিবহণ নিগমৰ অধ্যক্ষ প্ৰণৱ জ্যোতি লাহন আৰু গুৱাহাটী পৌৰসভাৰ মনোনিত সদস্যা লাৱণ্য দেৱীৰ উপস্থিতি থাকে লগতে অনুষ্ঠানত উপস্থিত শিশু আৰু অভিভাৱকসকলক উৎসাহ দি কয় যে, এনে প্ৰতিভাই অসমৰ ভৱিষ্যত গঢ় দিব। উৎসৱত শিশু সকলৰ প্ৰতিভা বিকাশৰ বাবে বহুতো প্ৰতিযোগিতাত আয়োজন কৰে। প্ৰথমে ভেশছন প্ৰতিযোগিতা — শিশুসকলে বিভিন্ন পুৰাণী স্বাধীনতা সংগ্ৰামীৰ, সহজ সৰল গাঁৱলীয়া চৰিত্ৰ ভেশচন জড়িয়তে মঞ্চত উপস্থাপন কৰিছিল। তাৰ পিছত বাৰেৰহনীয়া নৃত্য প্ৰদৰ্শনত শিশুসকলে সকলোকে মুগ্ধ কৰিলে। থলুৱা খেল-ধেমালিত, চিত্ৰাংকন প্ৰতিযোগিতা, চিত্ৰ প্ৰদৰ্শনীয়ে সকলোৰ মন জয় কৰে। এই উৎসৱত অভিনেত্ৰী আৰু ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়, দিল্লীৰ স্নাতক বাবি বৰুৱাৰ প্ৰচেষ্টাত গঢ়ি উঠা ছিজিজি থিয়েটাৰে অসমৰ বিভিন্ন গাঁৱ-চহৰত শৈক্ষিক বিকাশৰ বাবে সাংস্কৃতিক অনুষ্ঠান কৰি অহা কথা অৱগত কৰে। লগতে ভাৰতৰ বিভিন্ন ঠাইত অসমীয়া নাটক প্ৰদৰ্শন কৰি আমাৰ অসমীয়া নাট্যৰ উত্তৰণত অৰিহণা কথা উল্লেখ কৰে। বাবী বৰুৱাই কয় যে, 'শিশুসকলৰ মাজত সংস্কৃতিৰ বীজ ৰোপণ কৰিলে ভৱিষ্যত অসম সমৃদ্ধ হ'ব। এনে উৎসৱে অসমৰ গাঁও-চহৰৰ শিশুসকলক নতুনৰ পথ দেখুৱাই। অনুষ্ঠানৰ শেষত শিশুসকলক পুৰস্কাৰ প্ৰদান অনুষ্ঠানেৰে 'কলা উৎসৱ ২০২৬' সামৰণি হয়।


## অমৰ

**■ ৰশ্মি ৰেখা দুৱৰা**

চৌদিশে ধূসৰ বিৱৰ্ণ। এয়া কি দেখিছোঁ। ম'বাইলৰ স্ক্ৰীণখন মোহাৰি লৈছোঁ। সঠিক তথ্যৰ বাবে নিউজ চেনেলবোৰ খুচৰিবলৈ ধৰিলোঁ। চিনাকি সকলোৰে ফেক্সচবুক, ৱাটচএপত একেটাই প'ষ্ট।' প্ৰিয় ব্যক্তিজন চিৰদিনৰ বাবে গুচি গ'লগৈ, উভতি নহাৰ বাটেৰে।'

জোৰকৈ বিষ এটাই বুকুখন বিন্ধিলে। শব্দহীন হৈ পৰিলোঁ। অলপপৰ ৰৈ নিজকে শান্তনা দিলোঁ, তুমি সদায় আমাৰ হৃদয়ত আছিলা আৰু সদায় থাকিবা। তোমাৰ কৰ্মৰাজিৰ দ্বাৰা।






Janasanyog RO no 3866/25/9-January-26

# ‘কলাক্ষেত্ৰ ৰামধেনু উৎসৱ ২০২৬’ত ‘খৰিকটীয়া আৰু জলকুঁৱৰী’ আৰু ‘বিষ্ণু প্ৰসাদ ৰাভা’ নাটৰ সফল মঞ্চায়ন



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজ আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগ, অসম চৰকাৰৰ উদ্যোগত যোৱা ৩১ ডিচেম্বৰৰ পৰা ৪ জানুৱাৰীলৈ আয়োজিত ‘কলাক্ষেত্ৰ ৰামধেনু উৎসৱ ২০২৬’ত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বাকৰিত পুতলা নাচৰ মাধ্যমেৰে দুখন গুৰুত্বপূৰ্ণ নাট সফলভাৱে মঞ্চস্থ কৰা হয়। এই উৎসৱত হাৰ্দিক শৰ্মাৰ নাট্যৰূপত ‘খৰিকটীয়া আৰু জলকুঁৱৰী’ আৰু সীমান্ত শৰ্মাৰ ৰচিত ‘বিষ্ণু প্ৰসাদ ৰাভা’ নাট পৰিৱেশিত হয়। নাট দুখনৰ পৰিচালনা কৰে সংগীত নাটক অকাডেমীৰ পৰা ওস্তাদ বিসমিল্লা খান যুৱ পুৰস্কাৰপ্ৰাপ্ত বিশিষ্ট পুতলা শিল্পী বিনীতা দেৱীয়ে। পৰিকল্পনা সীমান্ত শৰ্মাৰ। পুতলা নাট দুখনত পুতলাসমূহ সঞ্চালনা কৰে হেমেন সেনাপতি, বিনীতা দেৱী, হাৰ্দিক শৰ্মা, কৰিস্মিতা তালুকদাৰ, সীমান্ত শৰ্মা, পলক কৈৰী, ধ্ৰুৱ জ্যোতি কলিতা আৰু অংশুমান দাসে। ‘খৰিকটীয়া আৰু জলকুঁৱৰী’ নাটখনৰ সংগীত ৰচনা কৰে হাৰ্দিক শৰ্মাই আৰু ‘বিষ্ণু প্ৰসাদ ৰাভা’ নাটখনৰ সংগীত অভিজিৎ বৰ্মনৰ। দুয়োখন পুতলা নাটে উপস্থিত দৰ্শকৰ পৰা যথেষ্ট সমাদৰ লাভ কৰে। ‘বিষ্ণু প্ৰসাদ ৰাভা’ পুতলা নাটখনত চৰিত্ৰসমূহৰ কণ্ঠস্বৰ আৰু সংগীত প্ৰদান কৰে অদিষ্ণা ৰাজবংশী আৰু অপলক শৰ্মাই। এই নাটখনত বিষ্ণু প্ৰসাদ ৰাভাই স্বাধীনতা আন্দোলনৰ সময়ত সংগীত, আবৃত্তি আৰু নাটকৰ জৰিয়তে কেনেদৰে জনগণক জাগ্ৰত কৰিছিল, সেই ঐতিহাসিক দিশ সুন্দৰভাৱে প্ৰতিফলিত কৰা হৈছে। কোনো ধৰণৰ অস্ত্ৰ ব্যৱহাৰ নকৰি সাংস্কৃতিক মাধ্যমেৰে বিপ্লৱী ধাৰা সৃষ্টি কৰি শত্ৰুপক্ষক পৰাভূত কৰাৰ বিষয়টো নাটখনত অত্যন্ত সংবেদনশীলভাৱে উপস্থাপন কৰা হয়। স্বাধীনতা আন্দোলনত সকলো জাতি-উপজাতি, ধনী-দুখীয়া লোকক একত্ৰিত কৰি কেনেদৰে জনগণ জাগ্ৰত হৈছিল, সেই দিশ নাটখনত প্ৰাঞ্জলভাৱে দেখুওৱা হৈছে। লাঠী পুতলাৰ মাধ্যমেৰে পৰিৱেশিত এই নাটখনত পুতলাসমূহৰ সঞ্চালনত কোনো ধৰণৰ জড়তা দেখা নাছিল। প্ৰতিটো দৃশ্য অত্যন্ত নিখুঁত আৰু নান্দনিকভাৱে উপস্থাপন কৰা হয়। নাটখনত নাট্যশাস্ত্ৰৰ নৱ ৰসসমূহ অন্তৰ্নিহিত থকাটো এক উল্লেখনীয় দিশ। নাটখনৰ নৃত্যসমূহ ইমানেই জীৱন্ত আছিল যে দৰ্শকে পুতলা নহয়, যেন মানুহে নিজেই নৃত্য কৰিছে তেনেই অনুভৱ কৰিছিল। পুতলাৰ মাধ্যমেৰে এনে সফল নাট্য মঞ্চায়ন কৰাটো অত্যন্ত কঠিন হ’লেও পৰিচালকৰ দক্ষতাত এইটো সম্ভৱ হৈ উঠিছে। পুতলাসমূহৰ সঞ্চালনৰ শৈলী দেখি দৰ্শকসকল অভিভূত হৈ পৰে আৰু নাটৰ কৌশলী মায়াজালে দৰ্শকক আৰম্ভণিৰ পৰা শেষলৈ বান্ধি ৰাখে। প্ৰতিটো সংলাপে সাহিত্যিক মাধুৰ্যৰে দৰ্শকৰ মন স্পৰ্শ কৰিছে। নাটখনৰ সংগীতৰ মধুৰ সুৰে সমগ্ৰ পৰিৱেশ মন্ত্ৰমুগ্ধ কৰি তোলে। মঞ্চসজ্জা আৰু সাজসজ্জাত গনেশ বড়ো, প্ৰণৱ জ্যোতি ৰাভা, হিমাংশু দাস, তৃষ্ণা কলিতা আৰু দীপা মহন্তৰ অৱদান উল্লেখযোগ্য। ৰামধেনু উৎসৱত উপস্থিত থকা শিল্পী, সাহিত্যিক, শিক্ষাবিদ, শিক্ষাৰ্থী আৰু সাধাৰণ জনগণক একেলগে মন্ত্ৰমুগ্ধ কৰি ৰাখিব পাৰাটো পৰিচালক বিনীতা দেৱীৰ কৃতিত্ব বুলি ক’ব পাৰি। নাটখনৰ সংলাপসমূহৰ বাবে ৰচক সীমান্ত শৰ্মাৰো বিশেষ কৃতিত্ব দাবী কৰিব পাৰি। ‘খৰিকটীয়া আৰু জলকুঁৱৰী’ নাটখনৰ সংলাপসমূহো উচ্চ মানদণ্ডৰ। শিশু দৰ্শকক আকৰ্ষিত কৰিবলৈ ব্যৱহাৰ কৰা খুহুতীয়া আৰু ৰুচিসম্মত সংলাপসমূহে সকলোকে মুগ্ধ কৰে। নাটকখনত লাঠী পুতলা আৰু মাপেটৰ জৰিয়তে পৰিৱেশিত হয়। সুন্দৰভাৱে পৰিৱেশিত হয় নাটখন। এই ক্ষেত্ৰত নাট্যকাৰ হাৰ্দিক শৰ্মাৰ সফলতা উল্লেখযোগ্য। ‘ৰামধেনু উৎসৱ ২০২৬’ত পুতলা নাচৰ এই কাৰ্যক্ৰমটো বিশেষ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰে। বিনীতা দেৱীৰ পৰিচালিত নাটসমূহৰ এটা বিশেষ বৈশিষ্ট্য হ’ল-সমাজ ব্যৱস্থাৰ সৈতে জড়িত বিষয়বস্তুৰ লগতে আধ্যাত্মিক ভাবধাৰাৰ সুন্দৰ সংমিশ্ৰণ। অসমৰ পুতলা নাচ দেশ-বিদেশত আগুৱাই নিয়াৰ ক্ষেত্ৰত তেখেতৰ অৱদান অতুলনীয়। ইতিমধ্যে এই নাটসমূহ ভাৰত চৰকাৰৰ অধীনস্থ বিভিন্ন সাংস্কৃতিক মঞ্চত দেশৰ বিভিন্ন ৰাজ্যত পৰিৱেশন কৰি ব্যাপক সমাদৰ লাভ কৰিছে। বিনীতা দেৱীৰ পৰিচালনাত নিৰ্মিত এই নাটসমূহ অসমৰ লোককলাৰ এক অমূল্য সম্পদ হিচাপে চিৰদিন জিলিকি থাকিব। তেখেতৰ এই নাট্য ধাৰা অবিৰত থাকক, অসমৰ লোককলাক আগুৱাই লৈ যাওক আৰু অসমীয়া পুতলা নাট বিশ্বদৰবাৰত অধিক উজ্বলভাৱে জিলিকি উঠক এয়াই আমাৰ কামনা।

# নৱবৰ্ষ এটি নতুন অধ্যায়

■ **সমুজ্বল ডেকা,** ৰঙিয়া
পুঠিমাৰী মহাবিদ্যালয়

উচ্চশিক্ষা লাভৰ বাবে প্ৰকাশ নামৰ ল’ৰাজনে হোষ্টেলত থাকে। প্ৰকাশে এদিন লগৰ বন্ধু এজনক ফোন কৰি ক’লে - ‘হেল্ল’ বন্ধু, তোমাৰ ঘৰলৈ অহাবছৰ যাই আছোঁ।’ তেতিয়া লগৰ বন্ধুজনে ক’লে- ‘বন্ধু, তুমি কাইলৈ আহি যোৱা। অহাবছৰলৈ আৰু কিয় পলম কৰি আহিব লাগে?’

প্ৰকাশে তেতিয়া হাঁহি হাঁহি উওৰ দিলে- ‘বন্ধু, মই কালিলৈ যোৱাৰ কথাটোকে তোমাক কৈছোঁ। কাৰণ আজি ৩১ ডিচেম্বৰ আৰু কাইলৈ ১ জানুৱাৰী। যিহেতু ১২ বজাৰ লগে লগে একে ৰাতিৰ ভিতৰতে অন্য এক নতুন বছৰ পাম।’ বন্ধুজনে প্ৰকাশৰ কথাত আচৰিত হৈ ভাবি থাকোঁতে ৰাতিপুৱাল আৰু জীৱন নামৰ কিতাপখনৰ এটি নতুন অধ্যায় মেল খালে। **ম’বাইল ঃ** ৭৫৭৮৮-৮০৯৩৩




# মাজুলীৰ গড়মূৰত জিলা উদ্যম সমাগম আৰু স্বদেশী মেলা-২০২৬ আৰম্ভ



**বিকাশ শইকীয়া, মাজুলী ঃ** কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয়ৰ আঁচনিৰ জৰিয়তে অসম ক্ষুদ্ৰ উদ্যোগ বিকাশ লিমিটেডৰ সৌজন্যত মাজুলী জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সহযোগত জিলা সদৰৰ গড়মূৰ আৰক্ষী থানাৰ সমীপত ‘জিলা উদ্যম সমাগম আৰু স্বদেশী মেলা- ২০২৬’ ৰ আনুষ্ঠানিক ভাৱে শুভাৰম্ভ হয়। এই উপলক্ষে দিনৰ ১ বজাত পাঁচদিনীয়াকৈ আয়োজন কৰা মেলাৰ আনুষ্ঠানিকভাৱে ফিটা কাটি উদ্বোধন কৰে বিধায়ক ভূবন গামে। জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ, মাজুলীৰ সহকাৰী প্ৰবন্ধক জনাৰ্দন দাসে আঁত ধৰা শুভ উদ্বোধনী অনুষ্ঠানত জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ প্ৰবন্ধক ৰাজকুমাৰ বৰি, জিলা পৰিষদৰ সভানেত্ৰী নৱনীতা দাস, অতিৰিক্ত আয়ুক্ত ভাস্কৰজ্যোতি বৰা, আৰক্ষী বিষয়া ৰাজীৱ শইকীয়া, সহকাৰী আয়ুক্তদ্বয় নেত্ৰকমল বৰা আৰু সীমান্ত বুঢ়াগোহাঁই, জিলা বিজেপিৰ সভাপতি দীপক গোস্বামী প্ৰমুখ্যে মেলাত অংশগ্ৰহণ কৰা ষ্টলসমূহৰ স্বত্বাধিকাৰী, থলুৱা উদ্যোগীকে ধৰি বহু সংখ্যক লোক উপস্থিত থাকে। উক্ত মেলাৰ শুভ উদ্বোধন কৰি বিধায়ক আৰু জিলা আয়ুক্তই এনে ব্যৱস্থাৰ জৰিয়তে থলুৱা উদ্যোগীসকল লাভান্বিত হোৱাৰ লগতে আৰ্থিকভাৱে স্বাৱলম্বী হ’ব পাৰিব। মেলাৰ উদ্যোক্তা জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰীক শলাগ জ্ঞাপন কৰে। আৰম্ভ হোৱা জিলা উদ্যম সমাগম আৰু স্বদেশী মেলা অহা ৯ জানুৱাৰীলৈ মুকলি থাকিব। এই মেলাত ৫০ খন বিপণীৰ ব্যৱস্থা কৰা হৈছে। পুৱা ৯-৩০ বজাৰ পৰা সন্ধ্যা ৮ বজালৈকে এই মেলা খোলা থাকিব। থলুৱা উদ্যোগীৰ সাজ-পাৰ, পিঠাপনা, গুৰ আদিকে ধৰি বিভিন্ন সা-সামগ্ৰী ৰাইজে ক্ৰয় কৰিব পাৰিব এই স্বদেশী মেলাত।




স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া

সম্পাদক ঃ প্ৰণতি বৰা